সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক
# ৰঙিলী বাৰ্ত্তা
Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,১১ সংখ্যা, ২ চ'ত , ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 11 Date of Publication- 16 March 2025 Rs. 10.00/-

## দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমী উদ্বোধন অমিত শ্বাহৰ




ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেৰগাঁৱত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত লাচিত বৰফুকন পুলিচ একাডেমীৰ আনুষ্ঠানিকভাৱে উদ্বোধন আৰু আৱাসিক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত ৰাজহুৱা সভাত ভাষণ দি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে আগন্তুক ৫ বছৰত সমগ্ৰ দেশৰ সকলো পুলিচ একাডেমীৰ ভিতৰত লাচিত বৰফুকন পুলিচ একাডেমীয়ে প্ৰথম স্থান লাভ কৰিব। গৃহমন্ত্ৰী অমিত শ্বাহে পুনৰ কয়, মই ৭ বছৰ বয়সত লাচিত বৰফুকনৰ ব্যক্তিত্বৰ বিষয়ে পঢ়িছিলো । কিন্তু গ্ৰেজুৱেচন কৰালৈকে চৰকাৰী এখনো কিতাপত তেখেতৰ বিষয়ে উল্লেখ নাই । বীৰযোদ্ধা আৰু কিংবদন্তি লাচিত বৰফুকনে মোগলৰ বিৰুদ্ধে অসমক জয়ৰ দিশে আগুৱাই নিছিল। এসময়ত লাচিত বৰফুকনৰ বীৰত্বৰ গাথা অসমত সীমাবদ্ধ আছিল যদিও মোদী চৰকাৰৰ প্ৰচেষ্টাৰ বাবে আজি তেওঁৰ জীৱনী ২৩টা ভাষালৈ অনুবাদ হৈ সমগ্ৰ দেশৰ পুথিভঁৰালসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উপলব্ধ হৈছে। সমগ্ৰ ৰাষ্ট্ৰই অসমৰ এইগৰাকী মহান পুত্ৰৰ বিষয়ে জ্ঞাত হোৱা আৰু প্ৰেৰণা লাভ কৰাটো নিশ্চিতকৰণৰ অৰ্থে গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে ৰাজ্য চৰকাৰ তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ভূয়সী প্ৰশংসা কৰে।অসমৰ সৈতে থকা দীৰ্ঘদিনীয়া সম্পৰ্কৰ কথা উল্লেখ কৰি তেওঁ



কয়, 'মই ছাত্ৰাৱস্থাত অসমলৈ বহুবাৰ আহিছিলোঁ।

(দহ পৃষ্ঠাত চাওক)

## পাকিস্তানকে ধৰি ৪১খন দেশৰ নাগৰিকৰ আমেৰিকা ভ্ৰমণত নিষেধাজ্ঞা



ৰঙিলী বাৰ্ত্তাসেৱা- আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ দ্বিতীয়টো কাৰ্যকালত আন এক বিতৰ্কিত সিদ্ধান্ত। এইবাৰ বিশ্বৰ ৪১খন দেশৰ নাগৰিকৰ আমেৰিকা ভ্ৰমণত নিষেধাজ্ঞা আৰোপ কৰিবলৈ সাজু হৈছে ট্ৰাম্প প্ৰশাসন। কিছুদিন পূৰ্বে পাকিস্তানৰ কূটনীতিকক আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰৱেশত অনুমতি নিদি বিমানবন্দৰৰ পৰাই ওভতাই পঠিওৱাৰ পিছত ৰাষ্ট্ৰপতি ট্ৰাম্পৰ এই বিতৰ্কিত সিদ্ধান্তই ব্যাপক চৰ্চা লাভ কৰিছে। অবৈধ প্ৰব্ৰজনকাৰীক উৎখাতৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰা ড'নাল্ড ট্ৰাম্পৰ চৰকাৰে এইবাৰ ৪১খন দেশৰ নাগৰিকৰ আমেৰিকা ভ্ৰমণত নিষেধাজ্ঞা জাৰি কৰিব। ইতিমধ্যে ৪১খন দেশৰ তালিকা চূড়ান্ত কৰা হৈছে। আন্তৰ্জাতিক সংবাদ মাধ্যমত প্ৰকাশ কৰা দেশসমূহৰ খচৰা তালিকা অনুসৰি এই তালিকাত পাকিস্তান, আফগানিস্তান

(দহ পৃষ্ঠাত চাওক)

## বিশিষ্ট শিক্ষাবিদ, গীতিকাৰ ড° লক্ষহীৰা দাসৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- হেৰাই গ'ল এক অনন্য সুৰ। যশস্বী শিক্ষাবিদ, কবি, গীতিকাৰ ড° লক্ষহীৰা দাস আৰু নাই । ৰাজ্যবাসীক শোকসাগৰত পেলাই শনিবাৰে পুৱতি নিশা অনন্তধামলৈ গতি কৰিলে সুকণ্ঠী গায়িকা, শিল্পী, শিক্ষাবিদ লক্ষহীৰা দাসে। গুৱাহাটীৰ নিজা বাসভৱনত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ কণ্ঠশিল্পীগৰাকীৰ মৃত্যু হয়। মৃত্যুৰ সময়ত

(দহ পৃষ্ঠাত চাওক)

## মধুপুৰ সত্ৰৰ উন্নয়নৰ বাবে ৫০ কোটিৰ প্ৰকল্প ৰাজ্য চৰকাৰে গ্ৰহণ কৰিবঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- বৈষ্ণৱ ঐতিহ্যৰ সংৰক্ষণৰ লক্ষ্যৰে ভৰদৌলৰ দিনা বৃহত্তৰ বৰপেটা অঞ্চলৰ অন্তৰ্গত শ্ৰী শ্ৰীশংকৰদেৱৰ থান, পাটবাউসী সত্ৰ আৰু শ্ৰী শ্ৰী দেৱদামোদৰ গুৰুৰ আদিধাম, শ্ৰী শ্ৰীপাটবাউসী সত্ৰত ১১.১৪ কোটি টকা ব্যয়সাপেক্ষ ৰূপায়ণ কৰিবলগীয়া আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। লগতে মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰপেটা ভ্ৰমণকালতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এবছৰ কাল অতিবাহিত কৰা চিনপৰা ভিঠিৰ থানত ৭.৩২ কোটি টকা ব্যয়সাপেক্ষ ৰূপায়ণ কৰিবলগীয়া আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰো শিলান্যাস কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই শিলান্যাস কৰা প্ৰকল্পটোৰ জৰিয়তে শ্ৰী শ্ৰী শংকৰদেৱৰ থান, পাটবাউসী সত্ৰৰ নামঘৰ আৰু মণিকূটৰ উন্নয়নৰ লগতে ভৱিষ্যতৰ বাবে ইয়াক সংৰক্ষণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। এই প্ৰকল্পত দৌল ঘৰ, জগমোহন ঘৰ, মঠ, কালিন্দী আইৰ ঘৰ, সংগ্ৰহালয়, পাটকুঁৱা, ভোজঘৰ, আলোচনা কক্ষ, ড'ৰমেটৰী, নিৰাপত্তাৰক্ষীৰ কেবিন, অনাময় ব্যৱস্থা আৰু খোৱাপানী, সীমাৰ

( দুই পৃষ্ঠাত চাওক)

# মধুপুৰ সত্ৰৰ উন্নয়নৰ বাবে

বেৰৰ নিৰ্মাণৰ লগতে ঠাইখনৰ সেউজ প্ৰাকৃতিক পৰিৱেশ উন্নীতকৰণেৰে পকীপথ, বেঞ্চ আৰু লন এৰিয়াত পোহৰৰ ব্যৱস্থাৰে সৌন্দৰ্যবৰ্ধন সন্নিৱিষ্ট কৰা হৈছে। আনহাতে শ্ৰী শ্ৰী দেৱদামোদৰ গুৰুৰ আদিধামৰ উন্নয়ন প্ৰকল্পত নামঘৰ আৰু মণিকূটৰ উন্নয়ন, দৌলঘৰ আৰু জগমোহন ঘৰৰ উন্নয়ন, সন্মুখ আৰু পিছফালে দুখন প্ৰৱেশদ্বাৰ নিৰ্মাণ, বৰ্তমানে থকা অতিথিশালা, কমিউনিটী হল, প্ৰশিক্ষণ কেন্দ্ৰৰ উন্নয়নৰ লগতে সংগ্ৰহালয়, পাটকুঁৱা, মহিলাৰ বাবে জিৰণিকোঠা, নিৰাপত্তাৰক্ষীৰ কেবিন, অনাময় ব্যৱস্থা আৰু খোৱাপানীৰ ব্যৱস্থা নিৰ্মাণৰ উপৰি ঠাইখনৰ সেউজ প্ৰাকৃতিক পৰিৱেশ উন্নীতকৰণেৰে পকীপথ, বেঞ্চ আৰু লন এৰিয়াত পোহৰৰ ব্যৱস্থাৰে সৌন্দৰ্যবৰ্ধন সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি শ্ৰী শ্ৰীশংকৰদেৱ থানক শ্ৰী শ্ৰীদামোদৰ গুৰুৰ আদিধামৰ সৈতে সংযোগ কৰিবলৈ ২ মিটাৰ বহল এখন ফুট অভাৰব্ৰিজো নিৰ্মাণ কৰা হ'ব। সেইদৰে আনুমানিক ৮ বিঘা ১ লেচা ক্ষেত্ৰফল সামৰি চিনপৰা ভিঠি থানৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পত কীৰ্তনঘৰ আৰু মণিকূটৰ উন্নয়ন সাধন কৰি ভৱিষ্যতৰ বাবে ইয়াক সংৰক্ষণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই প্ৰকল্পত প্ৰৱেশদ্বাৰ, বাটচ'ৰা, ৰংঘৰ, দৰ্শন ঘৰৰ উন্নয়নৰ লগতে - দৌল ঘৰ, জগমোহন ঘৰ, পাটকুঁৱা, ড'ৰমেটৰী, ভোজঘৰৰ সৈতে আহাৰ গ্ৰহণ কক্ষ আৰু মহিলাৰ বাবে জিৰণি কক্ষ নিৰ্মাণ কৰা হ'ব। তদুপৰি, এই প্ৰকল্পটোত আলোচনা কক্ষৰ পুনৰ নিৰ্মাণ, নিৰাপত্তাৰক্ষীৰ কেবিন, অনাময় ব্যৱস্থা আৰু খোৱাপানী, সীমাৰ বেৰৰ নিৰ্মাণৰ লগতে ঠাইখনৰ সেউজ প্ৰাকৃতিক পৰিৱেশ উন্নীতকৰণেৰে পকীপথ, বেঞ্চ আৰু লন এৰিয়াত পোহৰৰ ব্যৱস্থাৰে সৌন্দৰ্যবৰ্ধন আৰু দৰ্শনাৰ্থীসকলৰ বাবে গেজেব' নিৰ্মাণ সন্নিৱিষ্ট কৰা হৈছে। এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৰ্মময় জীৱনৰ অতি গুৰুত্বপূৰ্ণ সময়ছোৱা পাটবাউসীতে অতিবাহিত কৰি জীৱনৰ অমূল্য ৰচনাৱলী ইয়াতে সৃষ্টি কৰিছিল। মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণৰ কিছুদিনৰ পিছতে বৰপেটা আৰু পাটবাউসী ভ্ৰমণৰ সময়ত অঞ্চলটোত গুৰুজনাৰ জীৱনৰ এটা ডাঙৰ অধ্যায়ৰ স্মৃতি বিজড়িত আপুৰুগীয়া সম্পদসমূহ নৱপ্ৰজন্মৰ বাবে সংৰক্ষণ কৰাৰ উদ্দেশ্যে এটা প্ৰকল্প গ্ৰহণৰ কথা মই ঘোষণা কৰিছিলোঁ। সেই ঘোষণাৰ আধাৰতে শিলান্যাসৰ এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে সদৰী কৰে যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সমগ্ৰ জীৱনকাল বিভিন্ন স্থানত কটাইছিল। সেই স্থানসমূহত গুৰুজনাই কটোৱা সময়সহ সবিশেষ তথ্য ৰাজ্য চৰকাৰে ইতিমধ্যে সংগ্ৰহ কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ স্মৃতি বিজড়িত সকলোবোৰ স্থান পৰ্যায়ক্ৰমে উন্নয়ন সাধনৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে। এই পৰিকল্পনাৰ আধাৰতে ইতিমধ্যে বৰদোৱাত এটা দৃষ্টিনন্দন প্ৰকল্প নিৰ্মাণ কৰাৰ লগতে গাংমৌ থানবো উন্নয়ন সাধন কৰা হৈছে। তেওঁ লগতে জানিবলৈ দিয়ে যে প্ৰায় ৫০ কোটি টকা ব্যয়সাপেক্ষে মধুপুৰ সত্ৰৰো উন্নয়ন প্ৰকল্প ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব। ইয়াৰ পিছতে মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱে স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত পালন কৰা শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ ভৰদৌলৰ দিনা বৰপেটা সত্ৰত উপস্থিত হয় মুখ্যমন্ত্ৰী ড° শৰ্মা। দৌল উৎসৱক কেন্দ্ৰ কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অজস্ৰ পুৰুষ-মহিলাই সত্ৰৰ চৌহদত সৃষ্টি কৰা বিশাল জনসমুদ্ৰৰ সৈতে একাত্ম হৈ পৰে মুখ্যমন্ত্ৰী ড° শৰ্মা। অজস্ৰ লোকৰ ভিৰৰ মাজেৰে মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰথমে মঠৰ চোতালত সেৱা জনাই ডেকাসত্ৰীয়া গৌতম পাঠকৰ আশিস গ্ৰহণ কৰে। ইয়াৰ পিছতে তেওঁ বৰপেটাৰ মূল কীৰ্তনঘৰত প্ৰৱেশ কৰি অক্ষয় বন্তি প্ৰত্যক্ষ কৰি কীৰ্তনঘৰৰ ভিতৰত গুৰু আসনৰ সন্মুখত সেৱা জনায়। তেওঁ কীৰ্তনঘৰৰ সন্মুখত হোলী গীতৰ দল এটাই পৰিৱেশন কৰি থকা হোলী গীততো কিছুসময় অংশগ্ৰহণ কৰি দলটোৰ সৈতে হোলী গীত গায়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই দৌল গৃহত আৰোহণ কৰি ক্ৰমে 'দৌল গোবিন্দ' আৰু 'কলীয়া ঠাকুৰ'ৰ বিগ্ৰহৰ চৰণত ফাকুগুড়ি দি সেৱা জনায়। বৰপেটাৰ দৌল উৎসৱত এনে অনন্য দৃশ্য প্ৰত্যক্ষ কৰি অভিভূত হৈ পৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰী গৰাকীয়ে সত্ৰ পৰিচালনা সমিতিৰ কাৰ্যালয়লৈ গৈ কিছুসময় বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ড° বাবুল চন্দ্ৰ দাস, ডেকা সত্ৰীয়া এ গৌতম পাঠক আৰু সত্ৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াৰ সৈতে মত বিনিময় কৰে। এই উপলক্ষ্যত মুখ্যমন্ত্ৰীৰ সৈতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, সাংসদ ফণীভূষণ চৌধুৰী, বিধায়ক ফণী তালুকদাৰ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

সম্পাদকীয়....

## ফাকুৱাৰ শুভেচ্ছাৰে



**'ৰংগে ফাগু খেলে চৈতন্য বনমালী।**
**দুই হাতে ফাগুৰ গুড়া সিঞ্চন্ত মুৰাৰি।।'**
**- কীৰ্ত্তন ঘোষা**

আমি ভাৰতীয় সকলে প্ৰতিটো উৎসৱ ধৰ্মীয় পৰম্পৰাৰ ওপৰত ভিত্তি কৰি পালন কৰো। ফাগুণ মাহৰ পূৰ্ণিমা তিথিত হিন্দু ধৰ্মৰ লোকসকলে উদযাপন কৰে এই ৰঙৰ উৎসৱ ফাকুৱা। প্ৰাচীন মদন পূজাৰ এক আনুষংগিক উৎসৱ হিচাপে আমি ফাকুৱা উৎসৱ পালন কৰো । অসমত দৌল উৎসৱৰ পাতনি মেলে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। ২১ বছৰ বয়সতে গুৰুজনাই বৰদোৱাত এই উৎসৱ পালন কৰিছিল। বৰ্তমান সময়ত ফাকুৱা উৎসৱ কেৱল বসন্তৰ ৰং-আনন্দ তথা ধৰ্মীয় উৎসৱেই হৈ থকা নাই, ফাকুৱা বা হোলী উৎসৱ-শান্তি, আনন্দ আৰু মহা মিলনৰ উৎসৱ হৈ পৰিছে। ৰঙা, নীলা, সেউজীয়া ৰংবোৰে বোৱাই আনক সকলোৰে জীৱনলৈ এক আনন্দৰ বতৰা। দূৰ হওঁক অপশক্তি। ফাগুনী আবিৰৰ ৰঙেৰে ৰাঙলী হৈ পৰক সকলোৰে মন-প্ৰান। ফাগুণৰ এই পবিত্ৰ ক্ষণত সকলোলৈকে জনাইছো আনন্দৰ উৎসৱ ফাকুৱাৰ শুভেচ্ছা।

**স্বাগতা বৰুৱা গোস্বামী**

# পদ্মশ্ৰী লীলবাহাদুৰ ছেত্ৰীৰ বিয়োগ



ৰঙিলী বাৰ্তাসেৱা- নেপালী ভাষাৰ প্ৰখ্যাত সাহিত্যিক, শিক্ষাবিদ, পদ্মশ্ৰী সন্মান তথা সাহিত্য অকাডেমি বঁটাপ্ৰাপক লীলবাহাদুৰ ছেত্ৰীৰ যোৱা ১৩ মাৰ্চৰ নিশা ১০ বজাত মহানগৰীৰ মৰাশালিৰ বি বৰুৱা পথৰ নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। অসমৰ গোৰ্খা সমাজৰ জীৱনগাথাক কথা-সাহিত্যৰ জৰিয়তে তুলি ধৰি দেশবাসীক পৰিচিত কৰাই দিয়াত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। লীলবাহাদুৰ ছেত্ৰীৰ বিয়োগত শোকস্তব্ধ হৈ পৰিছে ৰাজ্যৰ বৌদ্ধিক সমাজ। উল্লেখ্য যে ১৯৩৩ চনৰ ১ মাৰ্চত গুৱাহাটীৰ পুলিচ ৰিজাৰ্ভত জন্মগ্ৰহণ কৰা লীলবাহাদুৰ ছেত্ৰী গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থশাস্ত্ৰত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত *(দহ পৃষ্ঠাত চাওক)*

# ডিব্ৰুগড়ত কেন্দ্ৰীয় ডিব্ৰুগড় ঈদগাহ সমিতিৰ উদ্যোগত ইফতাৰ পাৰ্টীত বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনা

ৰঙিলী বাৰ্তাসেৱা- পৱিত্ৰ ৰমজান মাহ উপলক্ষে প্ৰতিবছৰৰ দৰে এই বছৰো ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰত থকা কেন্দ্ৰীয় ডিব্ৰুগড় ঈদগাহ কমিটিৰ উদ্যোগত বিশ্ব শান্তি আৰু ভাতৃত্ববোধৰ উদ্দেশ্যৰে ১৪-৩-২৫ তাৰিখে ৰমজানৰ ইফতাৰ পাৰ্টী অনুষ্ঠিত হয়। এই উদ্দেশ্যে ডিব্ৰুগড়ত থকা ৩০ টা মছজিদ জামাতৰ ৰোজাদাৰ সকল উপস্থিত হৈ ইফতাৰ পাৰ্টীত অংশ গ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ডিব্ৰুগড় ঈদগাহৰ সম্পাদক আলহ্জ চৌকত আলিয়ে সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰাৰ পিছত স্থানীয় নালিয়াপুল মছজিদৰ পেছ ঈমাম চৈয়দ মোবাৰক হুছেইনে ৰোজা বা উপবাসৰ গুৰুত্ব সম্পৰ্কত বক্তব্য দাঙি ধৰি কয় যে আমি ৰৰ মাহেহে উদৰ পূৰাই খাওঁ কিন্তু এটা মাহ আমি কষ্ট কৰিব নোৱাৰোঁ। কিছুমান মুছলিম মানুহে পৱিত্ৰ কোৰান হাদিছৰ মতে ৰোজাৰ ইয়াৰ নীতি নিয়ম পালন নকৰোঁ বা ৰোজা কি কি কাৰণত ভঙ্গ হব পাৰে বা পালন কৰাৰ সময়ত কেনেধৰণৰ সংযম হব লাগে, বিশেষকৈ পুৰুষ সকলে ৰোজাব্ৰত পালন কৰাৰ সময়ত যে খং-ৰাগ নকৰি সংযম হৈ শান্তি পূৰ্ণভাৱে সকলোৰে লগত সৎ ব্যৱহাৰ কৰি এই মাহটো পালন কৰিব লাগে সেই কথা সোঁৱৰাই দিয়ে। এই অনুষ্ঠানত ডিব্ৰুগড় জাকাত এণ্ড ইমদাদ ফাউণ্ডেশ্যন, ডিব্ৰুগড় চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজ, ডিব্ৰুগড় ঈদগাহ, ডিব্ৰুগড় মাজাৰ সমিতিকে আদি কৰি কেবাটাও অনুষ্ঠান প্ৰতিষ্ঠানৰ সদস্যৰ লগতে কেবাগৰাকীও বিশিষ্ট আলিম উলামা আদি উপস্থিত থাকে। ৰোজা ভঙ্গ কৰাৰ পূৰ্বে বিশ্ব শান্তিৰ কাৰণে, দেশৰ-দহৰ কাৰণে দুহাত তুলি সৰ্বশক্তিমানৰ ওচৰত দোৱা প্ৰাৰ্থনা কৰে সুবক্তা জোনাব চৈয়দ



মোবাৰক হুছেইনে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়াই ঈদগাহ কমিটিৰ সম্পাদক চৌকত আলিয়ে সকলকে ধন্যবাদ জ্ঞাপন কৰে আৰু আগন্তুক ঈদুল ফিতৰ আৰু ঈদুজ্জোহাৰ নামাজ এইখন ঈদগাহ ময়দানতে পঢ়িবলৈ সকলোকে অনুৰোধ জনায়।

# অক্টোবৰ মাহত সম্পূৰ্ণ হ'ব বটদ্ৰৱা প্ৰকল্পৰ কামঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান শ্ৰী শ্ৰীবটদ্ৰৱা থানত উপস্থিত হয়। জাতীয় সাজ পৰিধান কৰি পোনে পোনে বটদ্ৰৱা থানৰ কীৰ্তনঘৰত সেৱা লৈ গোবিন্দ গোসাঁই ওচৰত আশীৰ্বাদ গ্ৰহন কৰে। পাছত ভকত বৈষ্ণৱৰ লগত মত বিনিময় কৰি সকলোকে পবিত্ৰ দৌল উৎসৱ, ফাকুৱাৰ শুভেচ্ছা জ্ঞাপন কৰে। অস্থায়ী মণ্ডপত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ তৰফৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক গামোচা, চেলেং, ভাগৱত পুথি, প্ৰশস্তি পত্ৰ, শৰাইৰে সম্বৰ্ধনা জনোৱা হয়। পাছত সাংবাদিকক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই "ফাকুৱা উৎসৱ কেৱল দুটা দিনেই নহয়, গোটেই বছৰটো অসমৰ মানুহ এনেদৰে আনন্দত থাকক তাৰেই কামনা কৰিলো। বটদ্ৰৱালৈ আহি, ভগৱন্ত প্ৰভুৰ চৰনত সেৱা জনালো। ভক্তিভৰা সেৱা আগবঢ়ালোঁ। অসমবাসীৰ মংগল কামনা কৰিলো।" বুলি প্ৰকাশ কৰাৰ লগতে অক্টোবৰত বটদ্ৰৱা প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰা হব বুলি ঘোষণা কৰে। লগতে নগাঁৱত শীঘ্ৰেই এখন কেবিনেট বৈঠক অনুষ্ঠিত কৰি জিলাখনৰ উন্নয়নৰ বাবে প্ৰকল্প হাতত লোৱা হ'ব বুলি প্ৰকাশ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে ৰাজ্য চৰকাৰে ৰূপায়ন কৰি থকা প্ৰকল্পটোৰ জৰিয়তে বটদ্ৰৱাক আধ্যাত্মিক কেন্দ্ৰ, শিল্প কেন্দ্ৰ, সাংস্কৃতিক আৰু গৱেষণা কেন্দ্ৰ ৰূপে গঢ়ি তুলি পৰ্যটনৰ

# দিল্লীত ৰাষ্ট্ৰদূত হাৰ্ভে ডেলফিনক সাক্ষাৎ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অচিৰেই গুৱাহাটীত স্থাপন কৰা হ'ব ইউৰোপীয় সংঘৰ প্ৰকল্প ব্যৱস্থাপনাৰ কাৰ্যালয়। শেহতীয়াকৈ গুৱাহাটীত সম্পন্ন হৈ যোৱা 'এডভান্টেজ আছাম'ৰ পিছত ইউৰোপীয় সংঘই ইয়াৰ কুচকাৱাজ আৰম্ভ কৰিছে। নতুন দিল্লীত ভাৰতত থকা ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত হাৰ্ভে ডেলফিনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত এই কথা ব্যক্ত কৰিছে। দিল্লীত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূতজনক তেওঁৰ দিল্লীস্থিত বাসভৱনলৈ গৈ সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই মূলতঃ 'এডভান্টেজ আছাম'লৈ ইউৰোপীয় সংঘৰ সদস্য ( নপৃষ্ঠাত চাওক)

# পলিটেকনিকৰ প্ৰবক্তাৰ চাকৰি নিয়মীয়া কৰণৰ দাবী আপৰ




ৰঙিলী বাৰ্ত্তাসেৱা- ২০১৭ চনত ৰাজ্যৰ পলিটেকনিক প্ৰতিষ্ঠান সমূহত ঠিকাভিত্তিক নিযুক্তি লাভ কৰা ৭৩ গৰাকী প্ৰবক্তাক চাকৰিৰ পৰা বৰ্খাস্ত বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আম আদমী পাৰ্টিৰ ৰাজ্যিক সাধাৰণ সম্পাদক (সাংগঠনিক) ৰাজীৱ শইকীয়াই। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত আপৰ জ্যেষ্ঠ নেতাগৰাকীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক শীঘ্ৰে চৰকাৰৰ অগণতান্ত্ৰিক আৰু স্বৈৰাচাৰী সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবী জনায়। বিজ্ঞপ্তিটোত ৰাজীৱ শইকীয়াই উল্লেখ কৰে যে ২০১৭ চনত এইসকল মেধা সম্পন্ন প্ৰবক্তাই যোগ্যতাৰ ভিত্তিত নিযুক্তি লাভ কৰিছিল ।ৰাজ্য চৰকাৰে স্থাপন কৰা ১১ নতুন পলিটেকনিক প্ৰতিষ্ঠান আৰু বৰাকভেলীৰ ইঞ্জিনীয়াৰিং কলেজৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰি এইসকল প্ৰতিষ্ঠাপক প্ৰবক্তাক ২০১৭ চনতে মেধাৰ ভিত্তিত নিযুক্তি দিছিল ৰাজ্য চৰকাৰে ।অথচ যোৱা ১৭ ফেব্ৰুৱাৰীৰ পৰা মহানগৰীৰ চচলত চাকৰি নিয়ামীয়াকৰণৰ দাবীত প্ৰতিবাদ কৰিবলগীয়া হৈছে। অবিৰত প্ৰতিবাদৰ পাছতো চৰকাৰৰ ইতিবাচক সহাঁৰি লাভ কৰাৰ পৰিবৰ্তে তেওঁলোকক চাকৰিৰ পৰা অব্যাহতি দিয়া হৈছে। চৰকাৰৰ এই সিদ্ধান্ত মানৱতা বিৰোধী, গণতন্ত্ৰ বিৰোধী। ( নপৃষ্ঠাত চাওক)

# দক্ষিণ কামৰূপ জিলা বিজেপিৰ বাটৰহাটত সংবাদমেল



ৰঙিলী বাৰ্ত্তাসেৱা- পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু দক্ষিণ কামৰূপ জিলা বিজেপি সভাপতি অঞ্জন কুমাৰ গোস্বামীয়ে আজি বাটৰহাটস্থিত বিজেপিৰ কাৰ্যালয়ত এখন সংবাদমেল অনুষ্ঠিত কৰে। বাজেট ২০২৫-২৬ সন্দৰ্ভত এই সংবাদমেলৰ আয়োজন কৰে। এই সংবাদমেল সম্বোধন কৰি পোন প্ৰথমে সদ্য ঘোষিত বাজেটক জনকল্যাণমুখী বাজেট বুলি প্ৰশংসা কৰে বিধায়ক হেমাংগ ঠাকুৰীয়াই। তেওঁ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিত্তমন্ত্ৰী অজন্তা নেওগক দক্ষিণ কামৰূপ জিলা বিজেপিৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় অৰুণোদয় আঁচনিৰ জৰিয়তে ১২৫০ টকা পোৱা মহিলা সকলে সঞ্জীৱনী দৰে কাম কৰিছে। এইবাৰ বাজেট অনুসৰি ৩৭ লাখ ২০ হেজাৰ মহিলাৰ বাবে ৫০০০ কোটি টকা অৰুণোদয় বাবে ধাৰ্য্য কৰা হৈছে। নিযুত মইনা আঁচনিৰ জৰিয়তে পলাশবাৰী সমষ্টিৰ উপৰিও সমগ্ৰ অসমৰ ছাত্ৰী সকলে উপকৃত হৈছে। ৩৯১ কোটি টকা নিযুত মইনা আঁচনিৰ বাবে বাজেটত লোৱা হৈছে। মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰশীল আঁচনিৰ জৰিয়তেও যুৱক সকল আত্মনিৰ্ভৰশিল হৈছে। এই আঁচনিৰ বাবে ৭৪৩ কোটি টকা নিৰ্ধাৰণ কৰিছে। নিৰনুৱাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী যি ধৰণে কৈছিল তাতকৈ বেছি চাকৰি মুখ্যমন্ত্ৰীয়ে এক টকা ( নপৃষ্ঠাত চাওক)

# যোৰহাটৰ পথ দুৰ্ঘটনাত থিতাতে নিহত ২ যুৱক



ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাটত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাটোত দুজন যুৱকৰ মৃত্যু হোৱাৰ লগতে দুগৰাকী যুৱতী গুৰুতৰভাৱে আহত হয়। বৰ্তমান সংকটজনক অৱস্থাত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে যুৱতী দুগৰাকী। আনহাতে মৃত যুৱক দুজনৰ মৃতদেহ উদ্ধাৰ কৰি আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। যোৰহাট পুলিবৰ থানাৰ অন্তৰ্গত চাৰিশৰীয়া ৰাষ্ট্ৰীয় ঘাইপথৰ আজান গাঁৱত সংঘটিত হৈ এই ভয়ংকৰ পথ দুৰ্ঘটনাটোত, য'ত দুজনকৈ যুৱকে থিতাতে প্ৰাণ হেৰুৱায় আৰু দুগৰাকী যুৱতী আহত হয়। দুৰ্ঘটনাত নিহত আৰু আহত চাৰিজন ছাত্ৰ-ছাত্ৰীয়েই কাজিৰঙা বিশ্ববিদ্যালয়ৰ। নিহত ছাত্ৰ দুজন ক্ৰমে ইৰফান হুছেইন, মুস্তাফা মুজাহিদুৰ আৰু আহত ছাত্ৰীদ্বয় খুচবো ন'বেল আৰু ইৰিনা বড়ো। বিয়লি প্ৰায় দুই বজাত চাৰিজন ছাত্ৰ-ছাত্ৰী এএছ-০৩-এম ৯৭৫ নম্বৰৰ বাহনত যোৰহাটৰ পৰা বিশ্ববিদ্যালয় অভিমুখে আহি থকা অৱস্থাত আজান গাঁৱৰ পথৰ কাষৰ ৰেলিঙত খুন্দিয়াই পথৰ মাজৰ ডিভাইডাৰ পাৰ হৈ বহু দূৰলৈ ছিটিকি পৰে। বাহনখন ইমানেই তীব্ৰবেগী আছিল চাৰিওজন ছাত্ৰ-ছাত্ৰী বাহনখনৰ খিৰিকী পাৰ হৈ দূৰৈত ছিটিকি পৰিছিল ফলত বাহনখনৰ সন্মুখৰ আসনত বহি যোৱা ছাত্ৰ মুস্তাফা আৰু চালকৰ আসনত থকা ইৰফান থিতাতে নিহত হয়। পিছৰ আসনত বহি যোৱা খুচবো আৰু ইৰিনাক সংকটজনক অৱস্থাত স্থানীয় ৰাইজে উদ্ধাৰ ( নপৃষ্ঠাত চাওক)

# দক্ষিণ কামৰূপৰ জেষ্ঠ্য সাংবাদিক বলেন কলিতাৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- দক্ষিণ কামৰূপৰ কৃতী শিক্ষক, জেষ্ঠ্য সাংবাদিক, বলেন কলিতাৰ যোৱা ১২ মাৰ্চ বুধবাৰে দেহাৱসান ঘটে ।৭৫ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে জেষ্ঠ্য সাংবাদিক গৰাকীয়ে।পলাশবাৰীৰ হুদুমপুৰৰ নিবাসী প্ৰাক্তন শিক্ষক তথা জেষ্ঠ্য সাংবাদিক বলেন কলিতাক যোৱানিশা ১০ বজাত উচ্চ ৰক্তচাপ জনিত কাৰণত তেখেতক চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও চিকিৎসকে তেখেতক মৃত ঘোষণা কৰে। তেখেতৰ বাসগৃহত নশ্বৰ দেহত সাংবাদিক সকলৰ লগতে বিভিন্ন দল সংগঠনৰ প্ৰতিনিধিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে । দক্ষিণ কামৰূপবাসীয়ে এগৰাকী অভিভাৱক আৰু সু-পৰামৰ্শদাতা হেৰুৱাই শোকত মৰ্মাহত হ'ল।অহা ১৬ মাৰ্চ ৰবিবাৰে দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ উদ্যোগত আয়োজিত আলোচনাচক্ৰ আৰু সম্বৰ্ধনা অনুষ্ঠানত তেখেতক সম্বৰ্ধনা জনোৱাৰ কথা আছিল। তেখেতৰ নিজা বাসভৱনত তেখেতক শেষ শ্ৰদ্ধাঞ্জলি জনাবলৈ দক্ষিণ কামৰূপ প্ৰেছ ক্লাব, হুদুমপুৰ ৰাইজ গয়ৰহ, শতদল পলাশবাৰী সাহিত্য সভা, উপৰহালী প্ৰগতিশীল সাহিত্য সভা, পলাশবাৰী ৰাস মহোৎসৱ সমিতি, পলাশবাৰী ৰঙালী বিহু সন্মিলন, ইউ পি মিডিয়া চাউথ কামৰূপ, পলাশবাৰী ৰাজ্যিক ব্যৱসায়ী ( নপৃষ্ঠাত চাওক)

# ভাৰতীয় শৈক্ষিক ফিল্ম মহোৎসৱত সীমান্ত শৰ্মালৈ শ্ৰেষ্ঠ এনিমেছন ফিল্ম বঁটা

ৰঙিলী বাৰ্ত্তাসেৱা- অৰ্থিয়ান প্ৰডাকচনে আয়োজন কৰা “প্ৰথম ভাৰতীয. শৈক্ষিক ফিল্ম মহোৎসৱ ২০২৫” ত ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ পৰা চিনিয়ৰ ফেল'শ্বিপ প্ৰাপ্ত সীমান্ত শৰ্মাই শ্ৰেষ্ঠ এনিমেছন ফিল্ম বঁটা লাভ কৰে। এনিমেছন ফিল্ম খন হৈছে “ফেইথফুল মঙ্গুছ”। তেওঁৰ এনিমেছন ফিল্ম খন নৰ্থ ইষ্ট ৰিজন অব এডুকেশ্বন, শ্বিলং, মেঘালয়ৰ পৰা “প্ৰথম ভাৰতীয় শৈক্ষিক ফিল্ম মহোৎসৱ ২০২৫”ত অংশ গ্ৰহণ কৰিছিল।



# যুৱসমাজেই পৰিৱৰ্তনৰ প্ৰকৃত চালকঃ সৰ্বানন্দ সোণোৱাল



ৰঙিলী বাৰ্ত্তাসেৱা- উত্তৰ-পূব ভাৰতৰ সামাজিক, অৰ্থনৈতিক, শিক্ষাগত আৰু সাংস্কৃতিক বিকাশক অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ (ABVP) আৰু ষ্টুডেণ্টছ্ এ'পেৰিয়েঞ্চ ইন ইণ্টাৰষ্টেট লিভিং (SEIL)-ৰ উদ্যোগত “উত্তৰ-পূব ছাত্ৰ আৰু যুৱ সংসদ” নতুন দিল্লীৰ এনডিএমচি কনভেনশ্বন চেণ্টাৰত অনুষ্ঠিত কৰা হয়। এই বিশেষ সংসদত উত্তৰ-পূব ভাৰতৰ আঠখন ৰাজ্যৰ বিভিন্ন ছাত্ৰ সংগঠন, শিক্ষানুষ্ঠানৰ প্ৰতিনিধি আৰু যুৱ সমাজৰ আগশাৰীৰ নেতাসকল উপস্থিত থাকে। উত্তৰ-পূব ভাৰতৰ দীৰ্ঘদিনীয়া সমস্যাসমূহৰ সমাধান বিচাৰি গঠনমূলক আলোচনা আৰু নতুন পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে এই সংসদ এক ঐতিহাসিক মঞ্চ হিচাপে পৰিগণিত হৈছে। এই সংসদত উত্তৰ-পূৰ্বাঞ্চলৰ পৰিকাঠামো আৰু সংযোগ ব্যৱস্থা উন্নয়নত বিশেষ গুৰুত্ব দিয়া হয়। বিশেষকৈ নতুন স্থলপথ, ৰেল সংযোগ, সুৰক্ষিত পথব্যৱস্থা আৰু দুৰ্গম অঞ্চলসমূহলৈ উন্নত যাতায়াত ব্যৱস্থা গঢ়ি তোলাৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়। শিক্ষাৰ মানদণ্ডৰ উন্নয়ন, উচ্চ শিক্ষা আৰু গৱেষণা ক্ষেত্ৰত উত্তৰ-পূবৰ স্থানীয় প্ৰতিভাসমূহৰ সুযোগ বৃদ্ধিৰ বিষয়ে ইয়াত গভীৰভাৱে পৰ্যালোচনা কৰা হয়। স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত অধিক সুবিধা প্ৰদান, নতুন চিকিৎসালয় স্থাপন আৰু আধুনিক চিকিৎসা প্ৰযুক্তিৰ প্ৰচলনৰ বিষয় এই সংসদত আলোচনাৰ কেন্দ্ৰবিন্দু হোৱা পৰিলক্ষিত হয়। শান্তি, সম্প্ৰীতি আৰু জাতীয় একতাৰ সন্দৰ্ভত উত্তৰ-পূবৰ সৰ্বাঙ্গীণ বিকাশৰ কথা বিবেচনা কৰি অঞ্চলটোৰ বহু দশকযোৱা জাতিগত সমস্যা, অপৰাধ আৰু অশান্তি দূৰ কৰাৰ উপায়ৰ ওপৰত সজাগতা বৃদ্ধিৰ লক্ষ্য আগত ৰখা হয়। বিশেষকৈ, ইয়াত যুৱ সমাজক মাদক দ্ৰব্য মুক্ত কৰাত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। যুৱপ্ৰজন্মক দেশৰ বিকাশৰ প্ৰতি সজাগ কৰাৰ লগতে অঞ্চলটোৰ ( নপৃষ্ঠাত চাওক)

# ৩৭.২ লাখলৈ বৃদ্ধি পাব অৰুণোদয় আঁচনিৰ হিতাধিকাৰী



ৰঙিলী বাৰ্ত্তাসেৱা- বিধানসভাত ২০২৫-২৬ বৰ্ষৰ বাজেট দাখিল কৰি বিত্তমন্ত্ৰী অজন্তা নেওগে অৰুণোদয় আঁচনি ৩.০ৰ জৰিয়তে হিতাধিকাৰীৰ সংখ্যা ৩৭.২ লাখলৈ বৃদ্ধি কৰা হ'ব বুলি ঘোষণা কৰে। উল্লেখ্য যে এই আঁচনিৰ অধীনত মাহিলি হিতাধিকাৰীৰ পৰিয়ালক ১, ২৫০ টকাকৈ প্ৰদান কৰি অহা হৈছে। ২০২০ চনত ১৮ লাখ মহিলাক সামৰি লোৱা এই আঁচনিখনৰ জৰিয়তে এইবাৰ ৩৭.২ লাখ পৰ্যন্ত হিতাধিকাৰীক সাঙুৰি লোৱা হ'ব। আঁচনিখন সন্দৰ্ভত সংবাদ মাধ্যমৰ সন্মুখত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইয়াকো উল্লেখ কৰে যে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীয়ে যাতে প্ৰতি মাহতে ধন লাভ কৰিব পাৰে সেই লক্ষ্যৰে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে যদি নিৰ্বাচন আয়োগে এই আঁচনিৰ কাৰ্যকৰী কৰাত অথবা আঁচনিখনৰ ধন প্ৰদানত বাধা আৰোপ কৰাৰ সম্ভাৱনা আছে। মুখ্যতঃ এই দিশটোক আগত লৈয়ে ৰাজ্য চৰকাৰে অহা বৰ্ষৰ ফেব্ৰুৱাৰী মাহতে মে' মাহলৈ অৰ্থাৎ ৪ মাহৰ ধন হিতাধিকাৰীক আগতীয়াকৈ প্ৰদান কৰিব। ইফালে, নিযুত মইনা আঁচনি সন্দৰ্ভত বিত্তমন্ত্ৰীগৰাকীয়ে তেওঁৰ বাজেট ঘোষণাত উল্লেখ কৰে যে এই আঁচনিৰ জৰিয়তে ৪.৩ লাখ ছাত্ৰীক এইবাৰ সাঙুৰি লোৱা হ'ব। এই সম্প্ৰসাৰণে দ্বিতীয় বৰ্ষলৈ উত্তীৰ্ণ হোৱা ছাত্ৰীসকলক উপকৃত কৰিব। ইয়াৰ বাবে বাজেটত ৩৯১ কোটি টকা আবণ্টন দিয়া হৈছে। উল্লেখ্য যে এই আঁচনিৰ জৰিয়তে একাদশ ( নপৃষ্ঠাত চাওক)

# বিশিষ্ট সঙ্গীতকাৰ ড° অপৰ্ণা বুজৰবৰুৱালৈ সন্মানীয় সলিল চৌধুৰী বঁটা




ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ সংগীত জগতৰ বাবে ইতিবাচক খবৰ। আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত উজলি উঠিল এটি অসমীয়া গীত যোৱা ৯ মাৰ্চ তাৰিখে কলকাতাৰ স্বামী বিবেকানন্দ প্ৰেক্ষাগৃহত পঞ্চম আন্তঃৰাষ্ট্ৰীয় ষ্টাৰ চলচ্চিত্ৰ মহোৎসৱ (5th International Star Film Festival) অনুষ্ঠিত হয়। এই মহোৎসৱত এইবাৰ বিশিষ্ট সঙ্গীত পৰিচালক সলিল চৌধুৰীৰ শতবাৰ্ষিকী হিচাপে উদযাপন কৰি বটা প্ৰদান কৰাৰ লগতে তেখেতৰ সোণসেৰীয়া গীতৰ অনুষ্ঠান আৰু নৃত্য প্ৰদৰ্শনেৰে প্ৰেক্ষাগৃহ মুখৰিত কৰি তোলে। এই মহোৎসৱত মুঠ ছপ্ত খন দেশে যোগদান কৰে। ৪০টা শিতানত ২৯০টা বঁটা প্ৰতিযোগিতাত প্ৰদান কৰা হয়। অতি আনন্দৰ কথা যে ড° অপৰ্ণা বুজৰবৰুৱাৰ কথা, সুৰ, সঙ্গীত পৰিচালনা আৰু সঙ্গীত ব্যৱস্থাপনাত তৈয়াৰ কৰি উলিওৱা “ৰুণ জুণ জুণ” নামৰ গীতটোৱে শ্ৰেষ্ঠ ‘মিউজিক ভিডিঅ'ৰ খিতাপ দখল কৰিবলৈ সক্ষম হৈছে। ড° অপৰ্ণা ( নপৃষ্ঠাত চাওক)

# ফাগুন মানে কি ?



বিপাশা বৰা

ৰঙা মদাৰ, ৰঙা ফাকু নে ৰঙা শিমলু
উদং পঠাৰ, চঞ্চলা বতাহ নে ধুলিময় আকাশ
নে এখনি ৰঙা বুটা বছা নীলা চাদৰ!
অৰণ্যৰ বিৰিখৰ চেহেৰা খহোৱা ফাগুন
ল'ৰাহ'তে পঠাৰত চিলা উৰুৱা ফাগুন
উদাসীন বুকুত ৰং চটিওৱা ফাগুন
ফাগুন ফাগুন কেৱল ফাগুন।
ফাগুনৰ নিৰ্জন দুপৰীয়া এটিত কেতিয়াবা
বতাহৰ বা লাগি নৈখনত খলকনিৰ সৃষ্টি হয়
পানীবোৰ উঠা-নমা কৰে,
গছৰ পাতবোৰে বিৰ্-বিৰ্ শব্দ কৰি
বুঢ়া পাতবোৰ এটি দুটিকৈ খহাই পেলাই
মাটিয়ে সিহঁতক আকোৱালি লয়।
কেতিয়াবা মোৰ মনটো সৃষ্টি হয় তেনে খলকনিৰ...
তেতিয়া ৰাস্তাৰ ধুলিবোৰ মনৰ পদুলিৰ পৰা
নওলা খুলি মনৰ ভিতৰলৈ সোমাই আহে
অশান্ত বতাহ জাকে আবেগ অনুভূতিৰ পাৰ ভাঙে
মনৰ আউল লগা কথাবোৰে ডায়েৰীৰ পৃষ্ঠাবোৰ সামৰে
এনেকৈয়েই ফাগুন আহে বাৰে বাৰে
মনলৈ...
প্ৰকৃতিলৈ...

# ফাগুন

টোলন তছা, কলিয়াবৰ



সেমেকা শীতৰ বিয়লি বেলাত
ধৰালৈ নামি আহিছে এজাক উন্মনা পচোৱা
সৰু বৰ বিৰিখৰ লঠঙা ডালত
ন ন কুঁহিপাতে মেলিছে অনুপম মেলা
ৰ'দ বৰষুণৰ লগত মিতিৰালি পাতি
গছে-বনে মাৰিছে মিচিকিয়া হাঁহি
চৌদিশে মাথো ফাগুনেই ফাগুন
চাই থাকিলেও হেপাহে নপলায় দেখোন
পলাশ মদাৰ শিমলুৰ সাজোন-কাচোন
নিজান বনৰ লুঙলুঙীয়া বাটত
শুনি মাথো সৰাপাতৰ খৰখৰনি
নিলাজ ফাগুনৰ কি যে ধেমালি
বাৰে বাৰে খহাই নিয়ে
জাকৈয়া গাভৰুৰ বুকুৰ ওৰণি
হোলী শিৱৰাত্ৰি আলি আই লৃগাং
কলং কপিলী দিখৌ দিচাং
সকলোতে বলিছে প্ৰেমৰ প্ৰহেলিকা
কমুৱা তুলা হৈ উৰিছে যৌৱনৰ মাদকতা
অসীমত হেৰাই নিজৰ অস্তিত্বৰ সীমনা
ফাগুনে বিচাৰিছে চোৰা নীলিম আকাশৰ ঠিকনা।

# সুগন্ধি দ্ৰব্য পাৰফিউম



অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

সুগন্ধি ইংৰাজী শব্দ পাৰফিউম। এই দ্ৰব্য বিধ ৰজা মহাৰজা , ৰাণী, বাদচাহ -বেগম সকলোৱে ব্যৱহাৰ কৰা বুলি আমি বিভিন্ন গ্ৰন্থত পাইছোঁ। এই সুগন্ধি আতৰ নামেৰে পৰিচিত। আৰব, গ্ৰীচ, ইজিপ্ট আদি দেশত বিশেষ ভাৱে প্ৰচলিত বুলি তথ্য পাইছোঁ।

মহাভাৰতৰ মহাৰাণী দ্ৰৌপদী পদুম ফুলৰ সুবাসেৰে স্নান কৰিছিল। মোগল সম্ৰাজ্ঞী নুৰজাহানৰ পদুম ফুলৰ সুবাস খুব ভাল পাইছিল। পদুম ফুলৰ তাৰেই আতৰ বনাই ব্যৱহাৰ কৰিছিল। গতিকে সুগন্ধি / পাৰফিউমৰ ব্যৱহাৰ ঐতিহাসিক যুগৰ পৰা আছিল বৰ্তমান আছে।

আধুনিক সুগন্ধি পাৰফিউম ফলৰ ৰসৰো তৈয়াৰ হয়। সৰু ল'ৰা ছোৱালী, বৃদ্ধলোক আনকি ৰোগী সকলেও ব্যৱহাৰ কৰে। ইয়াৰ সুবাসে দেহ মনক সজীৱ কৰি তোলে।

পাৰফিউমৰ সুবাস চিনাক্ত কৰিবলৈ হ'লে কেইটামান নিয়ম আছে----

১) নিজৰ হাতৰ ছালৰ ওপৰত অকণমান লগাই পৰীক্ষা কৰি চাব পাৰে। কিন্তু পৰীক্ষা কৰোঁতে হাতৰ ওপৰৰ স্কীন/ ছালত লগাই দহ মিনিট সময় অপেক্ষা কৰিব লাগিব তেতিয়াহে প্ৰকৃত সুবাস চিনাক্ত কৰিব পাৰে ।

২) সুবাস তিনিবাৰহে পৰীক্ষা কৰিব পাৰে তাতকৈ বেছি প্ৰয়োগ কৰিলে সুগন্ধিৰ কোনো সুবাস বিচাৰি নাপায়

৩) ছালৰ প্ৰকাৰ ভেদেও সুগন্ধি নিৰ্ভৰ কৰে। তেলেতীয়া ছালত বহুত দেৰিলৈ সুগন্ধি সক্ৰিয় হৈ থাকে কিন্তু শুকান ছালত নাথাকে।

গতিকে সকলো বস্তুৰ কিছুমান নিয়ম থাকে তেনেকৈ ব্যৱহাৰ কৰিব লাগে।

# ৰঙৰ উৎসৱ ফাকুৱা



বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও

ফাগুন বা চ'ত মাহৰ পূৰ্ণিমাৰ দিনা ফাগুৱা উৎসৱ পালন কৰা হয়। এই উৎসৱ ৰঙৰ উৎসৱ। সেয়ে অতি আগ্ৰহেৰে এই উৎসৱ উদযাপন কৰিবলৈ বাট চাই থাকো নহয়নে বাৰু। এই উৎসৱ কেৱল অসমতে যে পালন কৰা হয় এনে নহয়। ভাৰতৰ বিভিন্ন ঠাইত এই ফাগুৱা বা হোলী উৎসৱ পালন কৰা হয়। আনকি ভাৰতৰ বাহিৰতো ব্ৰিটেইন, নিউয়ৰ্ক, অষ্ট্ৰেলিয়া, ছিংগাপুৰ আদি ঠাইতো এই উৎসৱ উলহ মালহেৰে পালন কৰা হয়।

ফাকুৱা উৎসৱত ইজনে সিজনক ৰং সানি, ৰং চটিয়াই আনন্দ কৰাৰ লগতে এক আধ্যাত্মিক পৰম্পৰা জড়িত হৈ আছে। অসমৰ সমাজ জীৱনলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ২১ বছৰ বয়সতে সত্ৰীয়া ৰীতিৰে বৰদোৱাত দৌলোৎসৱ আয়োজন কৰা বুলি জনা যায়। গুৰুজনাই ভূঞাসকলৰ লগত লগ হৈ সাত বৈকুণ্ঠৰ আৰ্হিত সাত থাক পাতি শ্ৰীকৃষ্ণক দৌল মন্দিৰত প্ৰতিষ্ঠা কৰাই দৌল উৎসৱৰ শুভ আৰম্ভণি কৰিছিল। গুৰুজনাই পাতনি মেলা এই উৎসৱ আছিল ভক্তি ৰসৰ উৎসৱ। শ্ৰীকৃষ্ণৰ মাহাত্ম্য লীলা আৰু এক শৰণ নাম ধৰ্মৰ তত্বক হোলী উৎসৱৰ দ্বাৰা ভক্তি মাৰ্গৰ সন্ধান দিছিল। দৌলত নাম কীৰ্তন কৰাৰ পিছত ভগৱান শ্ৰীকৃষ্ণৰ চৰণত ফাঁকুগুৰি অৰ্পণ কৰি দেউলৰ চৌদিশে ঘূৰি ঘূৰি হোলী গীত পৰিৱেশন কৰে। তাৰ পিছত ইজনে সিজনক ৰং ছটিয়াই আনন্দ উল্লাস কৰে। এই উৎসৱৰ লগত আন আন পৌৰাণিক আখ্যান পোৱা যায়।

পুৰণি কালত হোলীত আনন্দ কৰিবলৈ প্ৰাকৃতিক ৰং ব্যৱহাৰ কৰিছিল। বৰ্তমান ফাঁকুগুৰি হিচাপে নানা ধৰণৰ কৃত্ৰিম ৰং বজাৰত পোৱা যায়। এই বিলাকত বহুতো ৰাসায়নিক পদাৰ্থ মিহলাই থোৱা থাকে। কৃত্ৰিম ৰঙে আমাৰ ছালখনৰ বহুতো ক্ষতি কৰে। ছালত হোৱা অপকাৰ সমূহ হৈছে খজুৰতি হোৱা, শুকাই যোৱা, খহতা হোৱা, ছালৰ জ্বলা পোৱা কৰা, বেক্টেৰিয়া বা ভেঁকুৰৰ দ্বাৰা সংক্ৰমিত হোৱা, ছালৰ এলাৰ্জি হোৱা আদি। সেয়ে আমি বজাৰৰ ৰং ব্যৱহাৰ কৰোঁতে সাৱধান হ'ব লাগিব। হোলীৰ ৰং ব্যৱহাৰ কৰাৰ আগতে গাত তেল বা ভেচলিন জাতীয় পদাৰ্থ সানি ল'ব লাগে। পৰাপক্ষত শুকান ফাঁকুগুৰি ব্যৱহাৰ কৰিলে ভাল। ফাঁকু খেলোতে হাত দীঘল কাপোৰ আৰু টুপী পিন্ধি ল'ব লাগে। হোলী খেলি শেষ হোৱাৰ পাছত গা-মূৰ, নখ, চুলি ভাল দৰে পৰিষ্কাৰ কৰিব লাগে। চকুত যাতে ৰং নপৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

এই ৰঙৰ উৎসৱে সকলোলৈকে সম্প্ৰীতিৰ ভাৱ কঢ়িয়াই আনে। ইজনে সিজনক ৰঙেৰে বুলাই মৰম স্নেহ আৰু ভাতৃত্ববোধ জগাই তোলে। সকলোলৈকে আগন্তুক ৰঙৰ উৎসৱৰ শুভেচ্ছা জনাইছোঁ। সাৱধানে ফাঁকু খেলিবা বুলি আশা ৰাখিলোঁ।

যোৰাখণ্ডৰ পৰা...

# কিশোৰ সাহিত্য আৰু অসমীয়া সাহিত্যত কিশোৰ মনস্তত্ত্বৰ প্ৰতিফলন

টুনুজ্যোতি গগৈ



স্বপ্ন অথবা স্বপ্নভংগ, ব্যাখ্যাহীন আনন্দ অথবা অসহনীয় যন্ত্ৰণা, প্ৰেম অথবা বিদ্ৰোহ- এই সকলোবোৰ মিলি জটিল হৈ পৰা কিশোৰ বয়সৰ ৰহস্য বুজাটো সাধাৰণ লোকৰ বাবে কঠিন হ'লেও এজন সাহিত্যিকে মানৱ মনৰ নানা ৰহস্য উন্মোচনৰ প্ৰচেষ্টাতে অহৰহ ব্ৰতী হৈ থাকে বাবে তেওঁলোকক শিশুমনৰ সৰলতা আৰু প্ৰাপ্তবয়স্কৰ জটিল-বিচিত্ৰ জীৱন কথাৰ মাজৰ স্পৰ্শকাতৰ সময়ছোৱাৰ উদ্ভিন্ন চেতনাই স্বাভাৱিকতে আকৰ্ষণ কৰে। তেনে আকৰ্ষণৰ ফলতে বিশ্বৰ বিভিন্ন ভাষাত অলেখ কিশোৰ সাহিত্য সৃষ্টি হৈ আহিছে।

বাস্তৱক্ষেত্ৰত এজন কিশোৰৰ আচৰণসমূহক সঠিকভাৱে উপলব্ধি কৰাটো যেনেদৰে কঠিন কাম, তেনেদৰে তেওঁৰ মানসিক দ্বন্দ্ব-আৱেগ-উৎকণ্ঠা অথবা বিবিধ চাহিদাৰ টনা-আঁজোৰাৰ মাজৰ যথাৰ্থ স্বৰূপক সাহিত্যত অবিকলভাৱে প্ৰতিফলিত কৰাটোও কঠিন কাম। কৈশোৰৰ ক্ৰমপৰিণতিৰ পৰ্যায়ক যথাযথভাৱে মূল্যায়ন কৰিব নোৱাৰিলে কিশোৰপাঠ্য গল্প-উপন্যাস নিতান্তই শিশু পাঠ্য হৈ পৰিব পৰে। বহুসময়ত দেখা যায় যে কিশোৰ সাহিত্য বুলি অভিহিত বহু সৃষ্টিশীল ৰচনা শিশু সাহিত্যৰ আওতাতহে পৰে। এই প্ৰসংগতে শিশুপাঠ্য বা শিশু সাহিত্যৰ বৈশিষ্ট্যৰ বিষয়েও কিছু কথা ক'ব লাগিব।

শিশু-সাহিত্য বুলিলে সাধাৰণতে এজন প্ৰাপ্তবয়স্কৰ দ্বাৰা শিশু পাঠকৰ কাৰণে সৃষ্ট সাহিত্যকে বুজা যায়। পৌৰাণিক কাহিনী, জীৱ-জন্তুৰ কাহিনী, ভূত-প্ৰেতৰ কাহিনী, ৰজা-ৰাণীৰ কাহিনী, বিজ্ঞানক আধাৰ কৰি লিখা কল্প কাহিনী আদি শিশুসকলে যুগ যুগ ধৰি পঢ়ি আহিছে। বহু কাহিনীত শিশু চৰিত্ৰ উপস্থিত নথকা সত্বেও সেই কাহিনীসমূহ শিশুসুলভ হোৱা বাবেই শিশুমন সহজে আকৰ্ষিত হৈ পৰে। প্ৰাপ্তবয়স্কসকলে ভাবে যে শিশু সকল সহজ- সৰল, নিষ্পাপ, চৌপাশৰ জগত আৰু জীৱন সম্পৰ্কে অনভিজ্ঞ। সেয়ে শিশু সাহিত্যিকসকলে তেওঁলোকৰ সৃষ্টিৰাজিৰ জৰিয়তে শিশু সকলক কেতবোৰ মূল্যবোধৰ ওপৰত ভিত্তি কৰি জীৱন-জগত সম্পৰ্কে জ্ঞান দিয়াৰ প্ৰয়াস কৰে। অৰ্থাৎ সমাজত প্ৰচলিত আদৰ্শবাদে প্ৰাপ্তবয়স্ক আৰু শিশুৰ মাজৰ সম্পৰ্কৰ চৰিত্ৰ নিৰ্ণয় কৰে আৰু শিশু-সাহিত্যই তাকেই প্ৰতিফলিত কৰে। শিশু- সাহিত্য শিশুৰ কাৰণে লিখা হ'লেও শিশু সাহিত্য ৰচনা, প্ৰকাশ, বাচনি আদিত শিশুৰ কোনো ভূমিকা নাথাকে। সেই পিনৰ পৰা ক'বলৈ গ'লে, শিশুৰ মনোজগত অংকনৰ নামত প্ৰাপ্তবয়স্কৰ নীতি- আদৰ্শ শিশুৰ কোমল মনত ৰোপণ কৰিবলৈ চেষ্টা চলোৱা হয়। কিন্তু, শিশুটিৰ দৃষ্টিকোণেৰে কথাবোৰ নাচাই নিজৰ দৃষ্টিকোণেৰে ঔচিত্য-অনুচিত্যৰ বিচাৰ শিশু সাহিত্যত জোৰ-জবৰদস্তি জাপি দিয়াৰ প্ৰচেষ্টা কিমানদূৰ গ্ৰহণীয়, সেই প্ৰশ্ন স্বাভাৱিকতে উঠিব পাৰে।

পেৰি নোডেলম্যানৰ দৰে বহু সমালোচকে শিশু সাহিত্যৰ বিষয়বস্তু, ভাষা, ৰচনাৰ আংগিক, পঢ়ুৱৈৰ স্বৰূপ আদিবোৰ প্ৰাপ্তবয়স্কতকৈ পৃথক বুলি গণ্য কৰি শিশু সাহিত্য আৰু প্ৰাপ্তবয়স্ক সাহিত্যৰ মাজত ভিন্নতা ফহিয়াই দেখুৱাইছে। নোডেলম্যানৰ মতে, শিশু-সাহিত্যৰ মূল বৈশিষ্ট্য হ'ল দ্ব্যৰ্থকতা- শিশু সাহিত্য একেৰাহে সৰল আৰু জটিল, শিশুসুলভ আৰু অশিশুসুলভ উপাদানেৰে পৰিপূৰ্ণ। এনে দ্ব্যৰ্থকতাৰ বাবেই শিশু-সাহিত্যই শিশু পাঠকৰ লগতে প্ৰাপ্তবয়স্ক পাঠকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হয়। নক'লেও হয় যে শিশুমনে কল্পনাৰ ডেউকা পিন্ধি এখন বল্গাহীন মনোজগতত বিচৰণ কৰি ফুৰে। বিভিন্নধৰণৰ স্বাভাৱিক অথবা অস্বাভাৱিক কল্পনাই তেওঁলোকক সকলো সময়তে আচ্ছন্ন কৰি ৰাখে। তেওঁলোকৰ কল্পনাপ্ৰৱণ মনৰ সংগী হৈ পৰে শিশু-সাহিত্য। শিশুসকলৰ বাবে শিশু সাহিত্যিক বা সাধু কথক এজন শক্তিশালী যাদুকৰৰ দৰে তেওঁলোকৰ একোশাৰী সৰস বাক্যই খুলি দিয়ে শিশু মনৰ ৰুদ্ধ দুৱাৰ, যেনেকৈ সাধুকথাত 'চিচিংফাক' বুলি কোৱাৰ লগে লগে খোল খাই যায় শিলৰ দুৱাৰ। লক্ষণীয় যে অবোধ বয়সত পঢ়া বা শুনা সাধুৱেই হওক বা সঁচা কাহিনীয়েই হওক মানুহৰ স্মৃতিত দীৰ্ঘদিনলৈ সংৰক্ষিত হৈ ৰয়।

লক্ষণীয় যে শিশু সাহিত্যিকসকলে বহু বাস্তৱ কথা শিশুসকলৰ বাবে অনুপযোগী আৰু ক্ষতিকাৰক বুলি ভাবি এৰি যায়। এই ঢাকোন দি ৰখা বা নোকোৱা বিষয়বিলাক কিশোৰ সাহিত্যত কোৱাৰ সুযোগ থাকে। কিন্তু, মাত্ৰা জ্ঞানৰ অভাৱে কিশোৰ সাহিত্যক প্ৰাপ্তবয়স্ক সাহিত্যলৈ ৰূপান্তৰিত কৰিব পাৰে। অৱশ্যে, সাম্প্ৰতিক সমাজ- জীৱনৰ জটিল প্ৰেক্ষাপটত এই মাত্ৰা জ্ঞানৰ প্ৰসংগটো বিতৰ্কিত হৈ পৰিছে। সেয়ে এই প্ৰসংগতো কিছু আলোচনা কৰাৰ স্থল আছে।

সাধাৰণতে আমাৰ সমাজ ব্যৱস্থাত হত্যা, হিংসা, যৌনতা, গৰ্ভাৱস্থা, বিবাহ বিচ্ছেদ আদি শিশু বা কিশোৰৰ মনোজগতৰ বাবে ক্ষতিকাৰক বুলি গণ্য কৰা হয়। কিন্তু, শেহতীয়াকৈ দেখা গৈছে যে কিশোৰ সাহিত্যিকসকলেই নহয়, শিশু সাহিত্যিকসকলেও এই বিষয়বোৰ অন্তৰ্ভুক্ত কৰিও সাহিত্য ৰচনা কৰিবলৈ লৈছে। তেওঁলোকৰ মতে, বৰ্তমান দূৰদৰ্শন, ইণ্টাৰনেট, নব্য প্ৰচাৰ মাধ্যম আদি সহজলভ্য হৈ পৰাৰ বাবে এইবোৰ শিশুসকলৰ বাবে লুকুৱাবলগীয়া বিষয় হৈ থকা নাই। বহু সমালোচকে যথাৰ্থভাৱেই উল্লেখ কৰিছে যে শৈশৱ-কৈশোৰৰ ধাৰণা স্থান, কাল, সংস্কৃতি, পৰিৱেশ-পৰিস্থিতি ভেদে পৃথক হ'ব পাৰে। শিশুসকল সৰল আৰু পবিত্ৰ বুলি এক ধাৰণা প্ৰচলিত হৈ থাকিলেও কোনো যুদ্ধপীড়িত অঞ্চলত শিশুসকলে য'ত তেওঁলোকে জন্মৰ পৰাই হিংস্ৰতা আৰু বৰ্বৰতাৰ সন্মুখীন হৈ আহিছে- প্ৰাপ্তবয়স্কৰ দৰেই জীৱন-জগতক উপলব্ধি কৰিবলৈ সক্ষম হয়। সেইদৰে, বহু জনজাতীয় সমাজত শিশু বা কিশোৰৰ বাবে যৌনতাও লুক-ঢাক কৰা বিষয় নহয়।

ফিলিপ এৰিজে তেওঁৰ 'চেণ্চুৰীজ অব চাইল্ডহুড' গ্ৰন্থত শিশু ধাৰণাৰ সন্দৰ্ভত বিস্তৃত আলোচনা আগবঢ়াই কৈছে যে শৈশৱ বুলিলে প্ৰাপ্ত বয়স্কতকৈ পৃথক গুণৰাজিৰে ভৰপূৰ জীৱনৰ কোনো এক বিশেষ সময়কহে বুজাৰ ধাৰণাটো ইতিহাসৰ এক বিশেষ সময়ৰ পৰাহে প্ৰচলন হৈছিল। তেওঁৰ মতে, মধ্যযুগৰ ফৰাচী সমাজত শৈশৱ আৰু প্ৰাপ্তবয়স্কৰ মাজত পাৰ্থক্য থাকে বুলি ভবা নহৈছিল। তেওঁৰ এই মন্তব্যটিলৈ লক্ষ্য কৰক- "In medieval society the idea of childhood did not existÊ, this is not to suggest that children were neglected, forsaken or despised. The idea of childhood is not to be confused with affection for children: it corresponds to an awareness of the particular nature of childhood, that particular nature which distinguishes the child from the adult, even the young adult. In medieval society this awareness was lacking."

শেহতীয়াভাৱে শিশু সকল সৰল, কোমলমতীয়া আৰু প্ৰাপ্তবয়স্কৰ ওপৰত নিৰ্ভৰশীল বুলি প্ৰচলিত হৈ অহা ধাৰণাটোৰ পৰিৱৰ্তে শিশুসকল প্ৰাপ্তবয়স্কতকৈ বেছি জ্ঞানী, সক্ৰিয় আৰু সপ্ৰতিভ বুলিহে এক ধাৰণা প্ৰচলিত হ'ব ধৰিছে। এই প্ৰসংগতে প্ৰশ্ন উঠেঃ ইমানদিনে শিশু সাহিত্যই ৰাজকুমাৰ, ৰাজকুমাৰী, পৰী আদি ভাল আৰু দৈত্য, ডাইনী, অসুৰ আদি বেয়া-এনেধৰণৰ অনুষংগ শিশুক প্ৰদান কৰি আহিছিল; কিন্তু আধুনিক জটিল সমাজ-ব্যৱস্থাৰ প্ৰেক্ষাপটত এনে গতানুগতিক কাহিনী-ৰূপকথাৰ জৰিয়তে শিশুৱে লাভ কৰা পৰম্পৰাগত ধাৰণাই তেওঁৰ ব্যক্তিত্ব গঠনত বা সমাজ সুন্দৰ কৰাত কিবা অৰিহণা যোগাবনে? শিশুসকলেই প্ৰাপ্তবয়স্কতকৈ বেছি জ্ঞানী, সক্ৰিয় আৰু সপ্ৰতিভ বুলি এক ধাৰণা প্ৰতিষ্ঠা হ'বলৈ ধৰিছে, তেনেস্থলত আধুনিক প্ৰজন্মৰ কিশোৰসকল মানসিকভাৱে কিমান আগবঢ়ুৱা হ'ব পাৰে, সেয়া সহজেই অনুমেয়। এনে কাৰণতে কিশোৰ সাহিত্যত হত্যা, হিংসা, যৌনতা, গৰ্ভাৱস্থা, বিবাহ বিচ্ছেদৰ প্ৰসংগ উপস্থাপন কৰিব নালাগে বুলি কোৱাৰ যুক্তিও নোহোৱা হৈছে।

আগলৈ...

## নীৰৱ জোনাক



নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি

জোনাক, তুমি নীৰৱ সদায়
তথাপিও,
পোহৰ বিলাই যোৱা ;
নিশাৰ আন্ধাৰত সজাই সপোন,
মনক গভীৰতালৈ নিয়া।
জানা নে তুমি? হে জোনাক ;
তোমাৰ মাধুৰী জ্যোতিৰে মোক
প্ৰতি নিশাই মুগ্ধ কৰা,
হৃদয়ত নানাৰঙী সপোন ৰচি
দিয়া এক সান্ত্বনাৰ চিঠি।
নাথাকা কিয় যিমানেই দুৰণিত,
কিন্তু অনুভৱ হয় সদায়
ওচৰতেই আছা, ,
তোমাৰ উজ্জ্বল পোহৰৰ আঁৰত,
নিজকে বিচাৰি পাওঁ নতুন ৰূপত।


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
अসম চৰকাৰ
আৰ্তজনৰ কাষত অসম চৰকাৰ
প্ৰগতিৰ দিশত ৰাজ্য আমাৰ
১০ তাৰিখ
পেঞ্চন আৰু অৰুণোদয়ৰ দিন
উপকৃত হিতাধিকাৰী
৪৩,২০,৯৫৬
প্ৰতিমাহে ধন আদায়
৩৮৪.০৫ কোটি
প্ৰতিমাহৰ ১০ তাৰিখে হিতাধিকাৰীৰ একাউণ্টলৈ প্ৰাপ্য ধন
JANASANYOG- 4857/24/16-March-25
ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন
আৰু দীনদয়াল দিব্যাংগজন সাহায্য আঁচনিও
অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে
অৰুণোদয়
শ্বহীদ কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন
ৰাষ্ট্ৰীয় দিব্যাংগ, বিধৱা আৰু বৃদ্ধ পেঞ্চন আঁচনি
আঁচনিসমূহ
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam
dipr.assam.gov.in

## স্বমত

# মায়া

**জ্যোতি খাটনিয়াৰ**



সত্যৰ পৰা মানুহক আঁতৰ কৰি ৰখা শক্তিয়েই হ'ল মায়া। মহান সন্ত ভক্ত কবীৰে মায়াক মহা ঠগিনী বুলি অভিহিত কৰিছে। মায়াই সকলোৰে মনত ভ্ৰমৰ সৃষ্টি কৰে। এই ভ্ৰমৰ কবলত পৰি মানুহ নানা বিধ কৰ্ম আৰু অপকৰ্মত লিপ্ত হয়। বিখ্যাত ফৰাচী বিদ্বান মিৰ্চা এলিয়াডে ( 'ন হন্যতে'ৰ প্ৰণেতা মৈত্ৰেয়ী দেৱীৰ প্ৰাক্তন প্ৰেমাস্পদ) ভাৰতীয় আধ্যাত্মিকতাৰ মাজলৈ যিকোনো ব্যক্তিক লৈ যোৱাৰ বাবে চাৰিটা ধাৰণা সক্ষম বুলি অভিহিত কৰিছে। এই ধাৰণা কেইটা হ'লঃ কৰ্ম, মায়া, নিৰ্বাণ আৰু যোগ। এই ধাৰণা কেইটাক তেওঁ গতিশীল ধাৰণা (kinetic ideas) বুলি কৈছে। তেওঁৰ মতে ইয়াৰ যিকোনো এটা ধাৰণাৰ আলোচনাই বাকী কেইটা ধাৰণাৰ নিজে নিজে সৃষ্টি কৰে। শংকৰাচাৰ্যৰ চিন্তা অনুসৰি ব্ৰহ্মাই একমাত্ৰ সত্য। জীৱাত্মা, অৰ্থাৎ আমি-তুমি, তেওঁ -তাই, এইবোৰ ব্ৰহ্মৰ পৰা পৃথক নহয়। অজ্ঞানতাৰ বাবেহে আমি অনেক বা বহু দেখা পাও। প্ৰশ্ন হয়, এনে হোৱাৰ কাৰণ কি? জৈন চিন্তাত এই প্ৰশ্নটো পোনপটীয়াকৈ সোধা হয় : "জীৱৰ বন্দিত্বৰ কাৰণ কি?" জৈন চিন্তাৰ মতে আমি বিভিন্ন বিষয়ত আসক্ত হৈ থাকো কাৰণেই আমি বন্দিত্বৰ কবলত পৰো। আমাক অহৰহ নানা বস্তু লাগে। ভাল কাপোৰ - কানি লাগে। দামী ৰেষ্টোৰেন্তত খাবলৈ লাগে। সুউচ্চ অট্টালিকা লাগে। মুঠতে লাগে আৰু লাগে। অজ্ঞ ানতাৰ পৰাই বিষয়ৰ প্ৰতি আসক্তি জন্মে। অজ্ঞানতাৰ বাবেই আমি অনেক জীৱ - জন্তু, বিষয় - বৈভৱেৰে ভৰা এখন জগতৰ সন্মুখীন হও। নাইবা এই জগতৰ ভিতৰত থাকো। এইবিলাকৰ আৰম্ভণি আৰু শেষ আছে। কাৰণ এইবিলাক অস্থায়ী। কিন্তু এই জগতৰ আঁৰত এক সত্য আছে। এই সত্য কাল আৰু দিশৰ উৰ্দ্ধত। সেয়ে, এয়া সনাতন। সকলো অস্থায়ী আৰু সীমিত পদাৰ্থৰ মূল কাৰণ হৈও ব্ৰহ্ম এইবিলাকৰ কবলত নপৰে। ব্ৰহ্ম সনাতন। ব্ৰহ্ম অনাদি। ব্ৰহ্ম অনন্ত। আমি কোনো বস্তু বা গুণাগুণ বুজাবলৈ যিবোৰ শব্দ ব্যৱহাৰ কৰো, সেইবোৰ অতি সীমিত শক্তিৰ শব্দ। ব্ৰহ্ম বুজাবলৈ আমাৰ হাতত পৰ্যাপ্ত শব্দ বা ভাষা নাই। আপুনি মই জনা বা বুলি পোৱা কথাৰে আমি জগতৰ সীমিত ৰূপটোৰ কথাহে ক'ব পাৰো। ব্ৰহ্মক বৰ্ণনা কৰিবলৈ আমাৰ ক্ষমতা নাই। ব্ৰহ্মক সেইবাবে সকলো গুণৰ উৰ্দ্ধৰ বা আঁতৰৰ শক্তি বুলি ভৱা হৈছে। শংকৰাচাৰ্যই ব্ৰহ্মক নিৰ্গুণ বুলি কৈছে। কিন্তু নিৰ্গুণ ব্ৰহ্মক জনা সহজ নহয়। আমাৰ মনটোৱে ব্ৰহ্মক চুই চাব পৰা বা দেখিব পৰা বস্তু বুলি ভাবিব খোজে। নিৰ্গুণ ব্ৰহ্মক আমি যেন সজাই পৰাই লব খোজো। এই সজাই পৰাই লোৱা কাৰবাৰটোৰ ফলত নিৰ্গুণ ব্ৰহ্ম সগুণ ৰূপত আমাৰ আগত দেখা দিয়ে। মায়াৰ বাবেই আমি নিৰ্গুণ ব্ৰহ্মক সগুণ ৰূপত দেখা পাও। এই মায়াই সৃষ্টি কৰা জগত মিথ্যা। অৰ্থাৎ জোন, বেলি, তৰা, আকাশ, বতাহ, গছ- গছনি, আপুনি, মই সঁচা নহয়। নাগাৰ্জুনে আনকি স্বয়ং আমাৰ আত্মাক মায়াৰ কবলত থকা বুলি কব খোজে। নাগাৰ্জুনৰ মতে অভিজ্ঞতাক সজাই পৰাই লোৱা কেন্দ্ৰ হিচাপে আমি আত্মাক ভবা কথাটো সঁচা নহয়। এই সকলোবোৰৰ আঁৰত ক্ৰিয়াশীল হৈ থকা সগুণ ব্ৰহ্ম হে সঁচা। শংকৰাচাৰ্যৰ মতে আত্মাৰ প্ৰকৃত ৰূপটো মায়াৰ দ্বাৰা আবৃত হৈ থাকে। এই ৰূপৰ বিষয়ে জানিবলৈ হলে ধ্যান, গভীৰ মনোসংযোগ বা অন্যান্য আধ্যাত্মিক শৃংখলাৰ প্ৰয়োজন আছে। ব্ৰহ্মৰ কাষ চাপিবলৈ সূক্ষ্ম যুক্তিয়ে বা বাদানুবাদে বিশেষ সহায় নকৰে। শংকৰাচাৰ্যৰ মতটোক দক্ষিণ ভাৰতৰ আন এগৰাকী প্ৰসিদ্ধ দাৰ্শনিক ৰামানুজে প্ৰত্যক্ষ ভাৱে বিৰোধিতা কৰিছে। তেওঁৰ মতে নিৰ্গুণ ব্ৰহ্ম বুলি একো নাই। সগুণ ব্ৰহ্মহে সত্য। জীৱৰ সুকীয়া অস্তিত্ব নাই। অৱশ্যে জীৱ আৰু ব্ৰহ্মৰ ভিতৰত ভেদ আছে। ৰামানুজে তিনিটা ভেদৰ কথা কৈছে। এটা হৰিণ আৰু এটা ঘোঁৰাৰ মাজত যি পাৰ্থক্য আছে, সেয়া বিজাতীয় ভেদ। এটা হৰিণ আৰু আনটো হৰিণৰ মাজত যি ভেদ আছে সি স্বজাতীয় ভেদ। এটা প্ৰাণীৰ অংগ প্ৰত্যংগৰ মাজত যি ভেদ আছে, সেয়া স্বগত ভেদ। ব্ৰহ্ম আৰু জীৱৰ মাজত, অৰ্থাৎ ব্ৰহ্ম আৰু আপোনাৰ - মোৰ মাজত যি পাৰ্থক্য, সেয়া শেষৰ বিধৰ পাৰ্থক্য। ব্ৰহ্মৰ স্বগত ভেদ আছে। ৰামানুজৰ মতে ব্ৰহ্ম অংশ বিশিষ্ট। তেৰ শতিকাৰ ভাৰতীয় চিন্তাবিদ মধ্বাচাৰ্যৰ মতে ব্ৰহ্ম আৰু জীৱ জগতৰ পাৰ্থক্যটো চিৰন্তন সত্য। তেওঁ ৰামানুজৰ মত অস্বীকাৰ কৰিছে। তেওঁ জীৱৰ সৈতে ব্ৰহ্মৰ সামান্য সম্পৰ্কও স্বীকাৰ কৰা নাই। তেওঁ আনকি আৰু এখোপ আগুৱাই গৈ মুক্তি লাভৰ পাছতো জীৱ আৰু ব্ৰহ্ম পৃথকভাৱে থাকে বুলি কৈছে (মনত পৰে মহাপুৰুষ মাধৱদেৱৰ " মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো"লৈ)। মধ্বাচাৰ্যই পাঁচবিধ ভেদ কথা কৈছে। প্ৰথমবিধ হ'ল ঈশ্বৰ আৰু জীৱাত্মাৰ ভেদ। দ্বিতীয়বিধ হ'ল ঈশ্বৰ আৰু জগতৰ ভেদ। তৃতীয়বিধ হ'ল জীৱাত্মা আৰু পদাৰ্থৰ ভেদ। চতুৰ্থবিধ হল জীৱাত্মা আৰু জীৱাত্মাৰ ভেদ। পঞ্চমবিধ হ'ল এক পদাৰ্থৰ লগত অন্য এক পদাৰ্থৰ ভেদ।

শংকৰাচাৰ্যৰ মতে মায়া ব্ৰহ্মৰেই শক্তি। জুই আৰু জুইৰ দাহিকা শক্তিৰ মাজত যেনেকৈ পাৰ্থক্য নাই, সেইদৰে ব্ৰহ্ম আৰু মায়াৰ ভিতৰতো কোনো পাৰ্থক্য। শংকৰাচাৰ্যই মায়াৰ দুটা শক্তিক চিহ্নিত কৰিছে। ইয়াৰ এটা হল আৱৰণ। দ্বিতীয়টো বিক্ষেপ। আৱৰণে ব্ৰহ্মক ঢাকি ধৰে। অৰ্থাৎ আমাৰ পৰা ব্ৰহ্মক লুকুৱাই ৰাখে। বিক্ষেপ শক্তিয়ে মায়া জগতখনকে সত্য বুলি কয়। শংকৰাচাৰ্যৰ মতে মায়াৰ বিষয়ে ইয়াতকৈ অধিক ক'ব নোৱাৰি। মায়াৰ বাবেই আমি এই জগতখনক ঈশ্বৰৰ লীলা বুলি ক'বলগীয়াত পৰো। শংকৰাচাৰ্যৰ মতে মায়াই মিথ্যাজগত সৃষ্টি কৰে। ৰামানুজে শংকৰাচাৰ্যৰ এই মন্তব্যত ঘোৰ আপত্তি কৰিছে। তেওঁৰ মতে ঈশ্বৰ জীৱ আৰু জগত - এই তিনিওটা একেটা ব্ৰহ্মৰে ৰূপ। ৰামানুজৰ মতে মায়া ঈশ্বৰৰ সৃজনী শক্তি। মায়াই সৃষ্টি কৰা জগত বাস্তৱ জগত। ৰামানুজনৰ মতে এই জগত ব্ৰহ্মৰে অংশ।

শংকৰাচাৰ্যই জীৱন আৰু জগতৰ তাৎপৰ্যক উপলব্ধি কৰিবলৈ দুটা দৃষ্টিভংগীৰ প্ৰয়োজনীয়তাক আমাৰ আগত ডাঙি ধৰিছে। ইয়াৰ এটা হ'ল ব্যৱহাৰিক আৰু আনটো হ'ল পাৰমাৰ্থিক। ব্যৱহাৰিক দৃষ্টিকোণ আপোনাৰ মোৰ দৰে সাধাৰণ মানুহৰ বাবে। আমি চকুৰ আগত দেখা পৃথিৱীখন সত্য বুলি ভাবো। আমি মায়াবদ্ধ লোক। গুৰুজনাৰ ভাষাত আমাৰ " মন অতি মোহ পাশে ছন্ন"। ব্যৱহাৰিক দৃষ্টিকোণত আকাশৰ জোন, বেলি তৰা, আমাৰ সোণাময় লৰা কাল, কেতিয়াবা আনন্দেৰে ভৰা কেতিয়াবা বিষাদে আৱৰা আমাৰ বৃদ্ধ কাল, আমি জীৱনত লাভ কৰা সুখ, দুখ - এই সকলো আমাৰ বাবে সঁচা। সজীৱ আৰু উমাল সত্য। এইবোৰ নুই কৰিলে আমাৰ জীৱন, আমাৰ মতাদৰ্শ, আমাৰ ৰাজনৈতিক দৰ্শন, আমাৰ কামকাজ, সকলো অৰ্থহীন হৈ পৰিব। মায়াৰ আৱৰণত আপুনি - মই, এই জীয়াই থকা মানুহবোৰে ব্ৰহ্মৰ শক্তিয়ে সৃষ্টি কৰা মায়াকেই সঁচা বুলি ভাবো। এইটো ব্যৱহাৰিক দৃষ্টিকোণৰ ভিতৰত অন্তৰ্ভুক্ত কথা। এই দৃষ্টিকোণতেই পৃথিৱীৰ কোটি কোটি মানুহ সভ্যতাৰ আদিম পুৱাৰ পৰা একবিংশ শতিকাৰ এই সময়চোৱালৈকে পাৰ হৈ গৈছে। জালি কটা জোনাক আৰু শীতৰ পুৱাৰ উমাল ৰ'দ জাকক মনত লৈয়ে মানুহে নিৰন্তৰ অহা যোৱা কৰিছে। এই অহা যোৱা মায়াৰ অধীন।

জীৱন আৰু জগতৰ প্ৰতি আনটো দৃষ্টিত শংকৰাচাৰ্যই 'পৰমাৰ্থিক দৃষ্টিকোণ ' বুলি অভিহিত কৰিছে। এই দৃষ্টিকোণ আয়ত্ব কৰা অতি কঠিন । কাৰণ এই দৃষ্টিকোণৰ অধিকাৰী হোৱাত বাটত হেঙাৰ হৈ থিয় হৈছে অবিদ্যা বা অজ্ঞানতা। জৈনসকলে আমাক এই ক্ষেত্ৰত ' ৰত্নত্ৰয়ৰ 'ৰ প্ৰয়োজন বুলি কৈছে। এই ৰত্নত্ৰয় হ'লঃ সম্যক জ্ঞান, সম্যক দৰ্শন আৰু সম্যক চৰিত্ৰ। তিনিবিধ কৰ্ম নাশ কৰি এজন ব্যক্তি সৰ্বজ্ঞ আৰু সৰ্বদৰ্শী হব পাৰে।

এই কৰ্ম কেইবিধ হ'ল জ্ঞানাবৰণীয়, দৰ্শনাবৰণীয় আৰু অন্তৰায়। মোহনীয় কৰ্ম নাইকিয়া কৰিব পাৰিলে ব্যক্তি শুদ্ধ চৰিত্ৰৰ অধিকাৰী হয়। আটাইবোৰ কৰ্ম নাশ কৰিব পাৰিলে জীৱাত্মাই অনন্ত সুখ লাভ কৰিব পাৰে। অৰ্থাৎ জীৱ বন্দিত্ব বা বন্ধনৰ পৰা মুক্ত হয়। জৈন চিন্তাত এনে জীৱক জীৱন্মুক্ত বা তীৰ্থাংকৰ বোলা হয়। জৈন চিন্তাৰ 'প্ৰজ্ঞাপনা সূত্ৰ'ৰ মতে কোনো কোনো সংসাৰী জীৱই কেতিয়াও মুক্তি লাভ নকৰে। কাৰণ, তেওঁলোকে কৰ্মৰ বন্ধনৰ পৰা মুক্ত হব নোৱাৰে। আনহাতে, জৈন চিন্তাই আত্মাৰ বহুত্বক গুৰুত্বসহকাৰে গ্ৰহণ কৰে। তেওঁলোকৰ মতে আত্মাৰ বিভিন্নতাৰ বাবেই মুক্তিৰ পাছতো জীৱবোৰ ভিন ভিন হৈ থাকে। শংকৰাচাৰ্যই আত্মাৰ এনে ভিন্নতা বা জটিলতাৰ মাজলৈ নিজৰ চিন্তাক লৈ যোৱা নাই। তেওঁ জগতখন মিছা বুলি জানিব পাৰিলে আৰু নিৰ্গুণ ব্ৰহ্মৰ উপলব্ধি কৰিব পাৰিলেই জীৱই মায়াৰ সকলো বন্ধনৰ পৰা আঁতৰিব পাৰিব বুলি স্পষ্ট কৰি দিছে। শংকৰাচাৰ্যৰ মতে "অহং ব্ৰহ্ম"ঃ ময়ে ব্ৰহ্ম - এই সত্য যাৰ অন্তৰত বিৰাজ কৰিছে, তেওঁ স্থিত প্ৰজ্ঞ হৈ ৰব পাৰিছে। সংসাৰৰ দুখ কষ্টই তেওঁক তলাব পৰা নাই। আনন্দৰ নিৰ্মল সুঁতি অহৰহ তেওঁৰ মনত বৈ আছে। বিশিষ্ট বিদ্বান স্বামী ভূতেশানন্দই তেওঁৰ উপনিষদৰ আলোচনাত স্পষ্ট কৰি দিছে যে মায়াৰ বন্ধনৰ পৰা আঁতৰিব পৰা ব্যক্তিৰ দুটা লক্ষণ দেখা যায়। এটা হ'ল ব্যক্তি সত্যনিষ্ঠ হৈ পৰে। দ্বিতীয়টো হ'ল, তেওঁ সকলোৰে প্ৰতি সহানুভূতিশীল হৈ উঠে। মায়াৰ বন্ধনৰ পৰা মুক্ত সকলে সদানন্দৰ ভাৱত উপনীত হ'বলৈ সক্ষম হয়।

তিব্বতীয় চিন্তাৰ এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ 'মহাসূত্ৰ' ত মায়াৰ শক্তিক বুজাবলৈ পাঁচটা ৰূপকৰ উদাহৰণ দিয়া হৈছে। এই কেইটা হল প্ৰতিধ্বনি, দাপোনত দেখা প্ৰতিচ্ছবি, মৰীচিকা, সপোনত লাভ কৰা ইন্দ্ৰীয়জ সুখ আৰু বস্ত্ৰহীন অৱস্থাত ঘূৰি ফুৰা উন্মাদ লোক। বৌদ্ধ চিন্তাত মায়াক ২৪ টা উপক্লেশৰ ভিতৰত ধৰা হৈছে। মায়াৰ আলোচনাৰ ক্ষেত্ৰত অভিজ্ঞ তা আৰু বিশ্বাস, দুয়োটাকে অনা হৈছে । 'প্ৰজ্ঞা পাৰমিতা সূত্ৰ'ত মায়াক এক গুৰুত্বপূৰ্ণ আলোচনাৰ বিষয় কৰি লোৱা হৈছে। বিশ্বাসে অজ্ঞতা, ভয় আৰু আসক্তিৰ পৰা আমাক মুক্ত কৰিবলৈ অভিজ্ঞ তাতকৈ বেছি সক্ষম বুলি কোৱা হৈছে। অভিজ্ঞতাত যুক্তি তৰ্কৰ বা বাদানুবাদৰ কথা থাকে। মনত পৰে অসমীয়া বৈষ্ণৱ চিন্তাৰ সেই প্ৰসিদ্ধ উক্তিলৈঃ বিশ্বাসে মিলয় হৰি তৰ্কে বহু দূৰ। বৌদ্ধ চিন্তাৰ পঞ্চ স্কন্ধক মায়াৰ অধীন বুলি কোৱা হৈছে। এইকেইটা হ'লঃ ৰূপ, বেদনা, সংজ্ঞা, সংস্কাৰ আৰু চৈতন্য। ইয়াৰ পাছৰ চাৰিটা উপাদানক নাম বোলা হৈছে। মানুহ হ'ল নাম ৰূপৰ সমষ্টি। গতিকে স্বাভাৱিকতে বৌদ্ধ চিন্তাত মানুহ মায়াৰ অধীন।

( বাৰপৃষ্ঠাত চাওক)

# অক্টোবৰ মাহত সম্পূৰ্ণ

আকৰ্ষণীয় স্থানত পৰিণত কৰিবলৈ পদক্ষেপ লোৱা হৈছে। প্ৰকল্পটোত পৰম্পৰাগত স্থাপত্য আৰু অসমৰ সাংস্কৃতিক বৈশিষ্ট্যসমূহৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱনবৃত্তৰ চিত্ৰায়ণ আদি সামৰি লোৱা হৈছে। প্ৰকল্পটোৰ ভৱনসমূহ বিভিন্ন বাদ্যযন্ত্ৰ, নৃত্য পৰিৱেশনশৈলী আৰু জীৱনশৈলীৰ প্ৰতিকৃতিৰ ৰূপত নিৰ্মাণ কৰা হৈছে। বটদ্ৰৱা থান দৰ্শনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাও উপস্থিত থাকে।

# পলিটেকনিকৰ প্ৰবক্তাৰ

এখন গণতান্ত্ৰিক দেশত চৰকাৰৰ পৰা প্ৰাপ্য বিচাৰি নাগৰিকৰ আন্দোলন কৰাৰ অধিকাৰ আছে। কিন্তু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে আমাৰ সাংবিধানিক অধিকাৰ কাঢ়ি লৈছে। চৰকাৰে শীঘ্ৰে তেওঁলোকক চাকৰিৰ পৰা বৰ্খাস্তকৰণৰ নিৰ্দেশ প্ৰত্যাহাৰ কৰক। আম আদমী পাৰ্টিৰ নেতাগৰাকীয়ে পলিটেকনিক ইনষ্টিটিউটৰ প্ৰবক্তা সকলৰ প্ৰতিটো ন্যায্য দাবী পূৰণৰ আহ্বান জনায়। আনহাতে যোৱা ১৭ ফেব্ৰুৱাৰীৰ পৰা চচলত প্ৰতিবাদী কাৰ্যসূচী পালন কৰা পলিটেকনিক শিক্ষকৰ সমস্যা সমাধানৰ দাবীত চচলৰ ধৰ্ণাথলীত প্ৰতিবাদত অংশগ্ৰহণ কৰে আপ, যুৱ শক্তিৰ কাৰ্যকৰী সভাপতি জিতু ডেকাই। তেওঁ বিগত ৮ বছৰ ধৰি কাম কৰি থকা এই সকল শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ পৰিৱৰ্তে চাকৰিৰ পৰা অব্যাহিত দিয়াৰ হঠকাৰী নীতিৰ তীব্ৰ সমালোচনা কৰে। চাকৰিত নিযুক্তি প্ৰদানৰ সময়ত পলিটেকনিক প্ৰবক্তা সকলৰ অৰিজিনেল শৈক্ষিক প্ৰমাণ পত্ৰ, মাৰ্কশ্বিট আদি চৰকাৰে জমা লৈ থোৱাৰ ঘটনা ভাৰতৰ ভিতৰতে নজিৰ বিহীন কাণ্ড বুলি মন্তব্য প্ৰকাশ কৰে জিতু ডেকাই।

# দিল্লীত ৰাষ্ট্ৰদূত হাৰ্ভে ডেলফিনক

দেশসমূহে আগবঢ়োৱা সহযোগিতাৰ বাবে হাৰ্ভেৰ ওচৰত কৃতজ্ঞতা ব্যক্ত কৰে। সাক্ষাৎকালত হাৰ্ভেৰ সৈতে বিভিন্ন বিষয়তো আলোচনা হোৱা বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই পিছত এক্সযোগে জানিবলৈ দিয়ে। ইউৰোপীয় সংঘৰ সৈতে যৌথ উদ্যোগত অসমত ক্লীন এনাৰ্জী, ছেমিকণ্ডাক্টৰ, উচ্চ শিক্ষা, দক্ষতা বিকাশ, সুগন্ধি তথা আতৰৰ সৈতে জড়িত উদ্যোগ গঢ়ি তোলাৰ ওপৰত আলোচনাত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। আনহাতে গুৱাহাটীত ইউৰোপীয় সংঘৰ প্ৰকল্প ব্যৱস্থাপনাৰ কাৰ্যালয় স্থাপনৰ ক্ষেত্ৰত অসম চৰকাৰে সংঘক সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। এইক্ষেত্ৰত কেন্দ্ৰৰ বৈদেশিক পৰিক্ৰমাৰো সহযোগিতা লোৱাৰ কথা দাঙি ধৰে মুখ্যমন্ত্ৰীজনে।

# দক্ষিণ কামৰূপ জিলা বিজেপিৰ

নোলোৱাকৈ দিছে বুলি তেওঁ মুখ্যমমন্ত্ৰীৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰে। ৰাজ্যখনক আগবঢ়াবলৈ কিছুমান গাওঁ নগৰলৈ পৰিৱৰ্তন কৰিবলৈ ৮ হেজাৰ কোটি টকা বাজেটত লৈছে। প্ৰথম এডভান্টেজ আছামৰ ফলত ৮৭২৯১ কোটি টকা বিনিয়োগ হৈছে অসমত। ৫ লাখ ৰচহেজাৰতকৈ অধিক টকা এইবাৰৰ এডভান্টেজ আছাম ২.০ ত বিনিয়োগ হৈছে। দক্ষিণ কামৰূপৰ বহু হাইস্কুল নতুনকৈ বনাই থকা হৈছে। অহা ১৯ তাৰিখে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পলাশবাৰী সমষ্টিত অসম চৰকাৰৰ গৃহ প্ৰদান অনুষ্ঠান কেন্দ্ৰীয়ভাৱে শুভাৰম্ভ কৰিব। দক্ষিণ কামৰূপৰ ১৬ খন আসনত ৰাভা হাচংত নিৰ্বাচনত ১৬ খনতে জয়ী হ'ব বুলি বিশ্বাসী। ৩ খন আসনত বিজেপিয়ে প্ৰতিনিধিত্ব কৰিব দক্ষিণ কামৰূপ জিলাত। ইয়াৰ ভিতৰত বোন্দাপাৰা, বামুনিগাওঁ আৰু শিলপুতাত প্ৰাৰ্থী দিব। এইবাৰ পলাশবাৰী সমষ্টিত নিৰ্মান হবলগীয়া আয়ুৰ্বেদিক কলেজৰ বাবে ১৮৪ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে বুলি উল্লেখ কৰে। উল্লেখ যে, বিধায়ক হেমাংগ ঠাকুৰীয়াই এই সংবাদমেল অনুষ্ঠিত কৰি কেৱল চৰকাৰ তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জয়গুণ গায়। তেওঁ লগতে বিৰোধী দলক কটাক্ষ কৰে। বিপৰীতে এই পলাশবাৰী সমষ্টিত হাতী মানুহৰ সংঘাত, নিবনুৱাৰ সমস্যা, কৃষিভূমিৰ সংকট আদি দূৰ কৰিবলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই। ফলত ৰাইজ বিপাণ্ডত পৰিছে। চৰকাৰৰ মন্ত্ৰী বিধায়ক তথা খোদ বিধায়ক হেমাংগ ঠাকুৰীয়াই তেওঁৰ পৰিয়ালবৰ্গ তথা অঙহী বঙহীৰ নামত পলাশবাৰী সমষ্টিত বহু বিঘা কৃষিভূমি ক্ৰয় কৰিছে। কিন্তু ৰাইজৰ বিলাই বিপত্তিৰ প্ৰতি অকণো কাণসাৰ নাই। কেৱল আশ্বাস প্ৰতিশ্ৰুতি দি তথা চৰকাৰৰ জয়গুণ গাই এইদৰে পাৰ কৰিছে মূল্যবান সময়। আজি বহুদিন ধৰি তেওঁ আয়ুৰ্বেদিক চিকিৎসালয়ৰ প্ৰসংগ উত্থাপন কৰিয়ে দায়িত্ব সামৰাৰ অভিযোগ উত্থাপন হৈছে। আনহাতে দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি অঞ্জন কুমাৰ গোস্বামীয়েও এইবাৰৰ বাজেট সন্দৰ্ভত বক্তব্য প্ৰদান কৰে।

# যোৰহাটৰ পথ দুৰ্ঘটনাত

কৰি যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰে। চিকিৎসালয় কৰ্তৃপক্ষই জনোৱা মতে, ছাত্ৰী দুগৰাকীৰ অৱস্থা অতি সংকটজনক যদিও খুচবো ন'বেল সংকটমুক্ত। প্ৰায় ১৫০ কিলোমিটাৰ বেগত পথৰ ডিভাইডাৰত বাহনখনে প্ৰচণ্ড খুন্দা মৰাৰ ফলত বাহনখন সম্পূৰ্ণৰূপে বিধ্বস্ত হোৱাৰ লগতে বাহনখনৰ ইঞ্জিন আৰু বেটাৰীও খোল খাই বহু আঁতৰত পৰে বুলি প্ৰত্যক্ষ দৰ্শীয়ে জনাইছে। জানিব পৰা মতে, চাৰিগৰাকী ছাত্ৰ-ছাত্ৰী কাজিৰঙা বিশ্ববিদ্যালয়ৰ এম বি এ চতুৰ্থ ষাণ্মাসিকৰ আছিল। নিহত মুস্তাফা মুজাহিদুৰৰ ঘৰ আছিল গোৱালপাৰাত আৰু ইৰফান হুছেইনৰ ঘৰ যোৰহাটৰ লিচুবাৰীত। আনহাতে ইৰিনা বড়োৰ ঘৰ শোণিতপুৰত আৰু খুচবো ন'বেলৰ ঘৰ যোৰহাটৰ চিনামৰাত। চাৰিওগৰাকীৰ বয়স আছিল ২৩/২৪ বছৰ। জানিব পৰা মতে, বাহনখন আছিল ইৰফান হুছেইনৰ দেউতাকৰ। নিহত দুয়োজন ছাত্ৰৰ মৃতদেহ যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মৰণোত্তৰ পৰীক্ষা কৰি ইতিমধ্যে পৰিয়ালক চমজাই দিয়াৰ পিছত কাজিৰঙা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে দুয়োজন ছাত্ৰৰ নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জনাই সমবেদনা জ্ঞাপন কৰে।

# দক্ষিণ কামৰূপৰ জেষ্ঠ্য সাংবাদিক

পৰিচালনা সমিতি, দক্ষিণ কামৰূপ সাংবাদিক সন্থা, দক্ষিণ কামৰূপ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থা, মিৰ্জা নাট্য গোষ্ঠী, দক্ষিণ কামৰূপ কবি সমাজ, দক্ষিণ কামৰূপ কলা- সাহিত্য সংস্কৃতি, সাহিত্য- সংস্কৃতি বিকাশ গোষ্ঠী কামৰূপ, দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, অসম জাতীয় পৰিষদ কামৰূপ, উপৰহালী ৰাইজ গয়ৰহ চিলাৰায় ভৱন আদি উপস্থিত থাকি তেখেতক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে আজি উপৰহালীৰ চ'কত অৱস্থিত চিলাৰায় ভৱনত তেখেতৰ আত্মাৰ চিৰশান্তিৰ বাবে ৭৫ খন বন্তি প্ৰজ্বলন কৰে দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ সভাপতি অশ্বিনী কুমাৰ তালুকদাৰ, সম্পাদক বিশ্বজিৎ কলিতা, প্ৰতিষ্ঠাপক সম্পাদক অনিল কলিতা, সাংবাদিক পৰিষদ কামৰূপ জিলাৰ দৈনিক জনমভূমিৰ সাংবাদিক দীপক কলিতা, পলাশবাৰী সমষ্টিৰ বিজেপিৰ যুৱনেতা অনুপ কুমাৰ মেধি, অসম জাতীয় যুৱ পৰিষদৰ মদন দাস, দক্ষিণ কামৰূপ ছাত্ৰসন্থাৰ সম্পাদক নিৰোধ দাস উপস্থিত থাকি পুষ্পাঞ্জলি আৰু শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মৃতকৰ আত্মাৰ সদগতি কামনা কৰি পৰিয়াল বৰ্গক সমবেদনা জ্ঞাপন কৰে। তেখেতে ইহলীলা সম্বৰণ কৰি এই সংসাৰত পত্নী, দুই পুত্ৰ, আৰু কন্যাৰ লগতে গুণমুগ্ধ সকলক এৰি থৈ যায় ।

# ৩৭.২ লাখলৈ বৃদ্ধি

শ্ৰেণীৰ ছাত্ৰীসকলক এহেজাৰ টকা, স্নাতকৰ প্ৰথম বৰ্ষৰ ছাত্ৰীসকলৰ বাবে ১, ২৫০ টকা, স্নাতকোত্তৰ তথা বিএডৰ প্ৰথম বৰ্ষৰ ছাত্ৰীসকলক ২, ৫০০ টকা প্ৰদান কৰি অহা হৈছে। বাজেটত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ কথা উল্লেখ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে এই আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চলত ৩০ লাখ আত্মসহায়ক গোট আৰু নগৰাঞ্চলৰ দুই লাখ আত্মসহায়ক গোটক সাঙুৰি লোৱা হ'ব। প্ৰাৰম্ভিক মূলধন হিচাপে তেওঁলোকক ১০ হাজাৰ টকাৰ উদ্যমিতা পুঁজি আগবঢ়োৱা হ'ব আৰু পৰৱৰ্তী সময়ত ২৫ হাজাৰ টকা ঋণ আগবঢ়োৱা হ'ব। অহা ১ এপ্ৰিলত বিহালী বিধানসভা সমষ্টিত এই আঁচনিখনৰ শুভাৰম্ভ কৰা হ'ব। ৰাজ্য চৰকাৰে এই আঁচনিৰ বাবে ৩, ০৩৮ কোটি টকা ব্যয় কৰিব।

# যুৱসমাজেই পৰিৱৰ্তনৰ প্ৰকৃত

নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত নতুন পথ উন্মোচনৰ প্ৰচেষ্টা আছিল আজিৰ সংসদৰ অন্যতম আকৰ্ষণীয় বিষয়। উত্তৰ-পূব ভাৰতৰ প্ৰাকৃতিক সম্পদ সংৰক্ষণ, পৰিবেশ সুৰক্ষা আৰু অনন্য জীৱনধাৰাৰ ওপৰতো সংসদত গুৰুত্ব আৰোপ কৰা হয়। অঞ্চলটোৰ ব্যৱসায় আৰু উদ্যোগৰ বিকাশৰ বাবে চৰকাৰী সহযোগিতা, নতুন উদ্যোগীসকলৰ বাবে সহায় আৰু মূলধনৰ যোগান নিশ্চিত কৰা বিষয়বোৰ সজোৰে উপস্থাপন কৰা হয়। লগতে উত্তৰ-পূব ভাৰতৰ পৰ্যটনৰ অপৰিসীম সম্ভাৱনা, আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক সংযোগ আৰু সাংস্কৃতিক পৰিবৰ্তনৰ ক্ষেত্ৰত নতুন পথ উন্মোচন কৰাৰ লক্ষ্যৰে বহু গুৰুত্বপূৰ্ণ পৰিকল্পনাৰ কথা সবিস্তাৰে এই যুৱ সংসদত আলোচনা কৰা হয়। এই সংসদৰ সামৰণি অধিবেশনত মুখ্য অতিথি হিচাপে ভাৰত চৰকাৰৰ বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰ শ্ৰীযুত সৰ্বানন্দ সোণোৱাল আৰু অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় সংগঠনিক সম্পাদক শ্ৰীযুত আশীষ চৌহান বিশেষ অতিথি হিচাপে উপস্থিত থাকে। উত্তৰ-পূব ভাৰতৰ যুৱ প্ৰজন্মক উন্নয়ন আৰু দেশ গঠনৰ মূল চালিকা শক্তি হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে এই সংসদ উত্তৰ-পূৰ্বাঞ্চলৰ ভৱিষ্যৎ গঢ়াৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হ'ব।

# বিশিষ্ট সঙ্গীতকাৰ ড°

বুজৰবৰুৱাক শ্ৰেষ্ঠ সঙ্গীত পৰিচালক হিচাপে সন্মানীয় 'সলিল চৌধুৰী বঁটা' আগবঢ়োৱা হয়। ই অসমৰ বাবে অতি গৌৰৱৰ কথা। গীতটোত কণ্ঠদান কৰে ড° সঙ্গীতা কাকতিয়ে আৰু মেঘৰঞ্জনী মেধিয়ে তেওঁৰ সুন্দৰ নৃত্যৰে অভিনয় কৰে। ভিডিঅ' পৰিচালনা কৰে অন্তৰীপ হাজৰিকাই। এই মিউজিক ভিডিঅটোৱে বৰ্তমানলৈকে চাৰিটা পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। ড° অপৰ্ণা বুজৰবৰুৱা কটন কলেজৰ এগৰাকী উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা, সাহিত্যিক, গীতিকাৰ, সুৰকাৰ, আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰথম আৰু একমাত্ৰ মহিলা সঙ্গীতকাৰ। সঙ্গীত পৰিচালক গৰাকীয়ে এই স্বীকৃতি অসমৰ সংগীত জগতৰ বাবে অত্যন্ত আশাপ্ৰদ খবৰ বুলি মত প্ৰকাশ কৰে।

# দেৰগাঁৱত লাচিত বৰফুকন পুলিচ

হিতেশ্বৰ শইকীয়াৰ কাৰ্যকালত অসমত প্ৰতিবাদো কৰিছিলোঁ। প্ৰতিবাদ কৰোঁতে আৰক্ষীৰ লাঠীৰ কোব খাইছিলোঁ। অসমৰ জে'লত মই সাত দিন ৰুটীও খাবলগীয়া হৈছিল। সেই সময়ত অসম আৰক্ষীয়ে বহিঃৰাজ্যত প্ৰশিক্ষণ লৈছিল। এতিয়া বহিঃৰাজ্যৰ আৰক্ষীয়ে অসমত প্ৰশিক্ষণ লয়।' তেওঁ লগতে কয় যে আজি লাচিত বৰফুকন আৰক্ষী একাডেমীৰ ৰূপত সিঁচা বীজ এদিন এজোপা বটবৃক্ষত পৰিণত হ'ব আৰু সমগ্ৰ দেশতে পুলিচিঙৰ কামত সেৱা আগবঢ়াব। কেৱল অসমৰ বাবেই নহয়, বৰঞ্চ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবেও এয়া হ'ব এপেক্স পুলিচ একাডেমী, তীৰ্থস্থানসমূহৰ মাজত কাশীৰ দৰেই ই উজলি উঠিব। এই প্ৰতিষ্ঠান অঞ্চলটোৰ শান্তিৰ বাবে এক নতুন আৰম্ভণি হৈ পৰিব। ১৬৭কোটি টকা ব্যয়সাপেক্ষে লাচিত বৰফুকন একাডেমীৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ গৈ উঠিছে আৰু তিনিওটা পৰ্যায়ত মুঠ ১, ০৫০ কোটি টকা ব্যয় কৰা হ'ব। এই একাডেমী একাধিক অত্যাধুনিক সা-সুবিধাৰে সজ্জিত আৰু সমগ্ৰ দেশৰ ভিতৰত শ্ৰেষ্ঠ আৰক্ষী একাডেমী হিচাপে পৰিগণিত হ'ব। পূৰ্বে অসম আৰক্ষীৰ বিষয়া-জোৱানে প্ৰশিক্ষণৰ বাবে আন ৰাজ্যলৈ যাবলগীয়া হৈছিল। কিন্তু যোৱা ৮ বছৰত ৰাজ্য প্ৰশাসনৰ অধীনত এনে এক ৰূপান্তৰ ঘটিছে যে এতিয়া গোৱা আৰু মণিপুৰৰ ২, ০০০ আৰক্ষী জোৱানে এই আৰক্ষী একাডেমীত প্ৰশিক্ষণ গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসম এতিয়া উন্নয়নৰ পথত আগবাঢ়িছে। বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত কেইবাখনো শান্তি চুক্তি স্বাক্ষৰিত হৈছে। ২০২০ত বড়ো চুক্তি, ২০২১ত কাৰ্বি চুক্তি, ২০২২ত জনজাতীয় শান্তি চুক্তি আৰু ২০২৩ত আলফা, অসম-মেঘালয় আৰু অসম-অৰুণাচল চুক্তি স্বাক্ষৰিত হৈছিল। মোদী চৰকাৰে কৰা এই শান্তি চুক্তিসমূহৰ ফলশ্ৰুতিত ১০, ০০০ৰো অধিক যুৱকে অস্ত্ৰ-শস্ত্ৰ সম্বৰণেৰে মূলসুঁতিলৈ আহিছে। এসময়ত আন্দোলন, বিদ্ৰোহ, বন্দুকৰ যুঁজৰ বাবে পৰিচিত অসমত এতিয়া ২৭, ০০০ কোটি টকা মূল্যৰ অৰ্ধপৰিবাহী উদ্যোগ স্থাপনৰ প্ৰচেষ্টা অব্যাহত আছে বুলিও তেওঁ মন্তব্য কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে পূৰ্বৰ চৰকাৰৰ ১০ বছৰীয়া আমোলত অসমে ১.২৭ লাখ কোটি টকাৰ 'ডিভলুচন গ্ৰান্ট' আৰু অনুদান লাভ কৰিছিল, যি পৰিমাণ প্ৰধানমন্ত্ৰী মোদীৰ আমোলত ১০ বছৰত চাৰিগুণ বৃদ্ধিৰে ৪.৯৫ লাখ কোটি টকা হৈছে। পূৰ্বৰ চৰকাৰসমূহে বহু বছৰ ধৰি অসমক অস্থিৰতাৰ মাজলৈ ঠেলি দিছিল, অনুদান আগবঢ়োৱা নাছিল, উপযুক্ত শিক্ষা ব্যৱস্থা স্থাপনত ব্যৰ্থ হৈছিল, আন্তঃগাঁথনি নিৰ্মাণ কৰা নাছিল আৰু শান্তি বিৰাজ কৰিবলৈ দিয়া নাছিল। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১০ বছৰীয়া কাৰ্যকালত আন্তঃগাঁথনিৰ বিকাশ সাধন হৈছে, শান্তিয়ে বিৰাজ কৰিছে আৰু ভিন্ন উদ্যোগ স্থাপন হৈছে। তেওঁ মোদী চৰকাৰে ৰাজ্যখনত ৰূপায়ণ কৰা কেইবাটাও প্ৰকল্পৰ কথা উল্লেখ কৰে। ইয়াৰ মাজত আছে ২০০ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্য আৰু ১০, ০০০ কোটি টকা মূল্যৰ ভাৰতমালা প্ৰকল্প, ৩, ০০০ কোটি টকা মূল্যৰ ধুবুৰী-ফুলবাৰী দলং, ৩, ৪০০ কোটি টকা ব্যয়সাপেক্ষে ৩, ৭০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ গ্ৰামীণ পথ আৰু ফ'ৰ-লেনিঙৰ শিলচৰ-চৰাইবাৰী কৰিড'ৰ। ইয়াৰ উপৰি তেওঁ মাজুলীত ১, ০০০ কোটি টকাৰ নতুন মথাউৰি আৰু পথ নিৰ্মাণৰ কাম অব্যাহত থকাৰ কথা উল্লেখ কৰে। তেওঁ আৰু কয় যে ব্ৰহ্মপুত্ৰৰ ওপৰত এখন ছয়লেনযুক্ত দলং নিৰ্মাণৰ কাম অব্যাহত আছে আৰু ৩৮২ কোটি টকা ব্যয়সাপেক্ষে ৰাষ্ট্ৰীয় ঘাইপথ ৭১৫-কেয়ে মাজুলী আৰু যোৰহাটক সংযোগ কৰিব। লগতে তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ ১, ১০০ কোটি টকা ব্যয়সাপেক্ষে সম্প্ৰসাৰণ, ৯, ০০০ কোটি টকা মূল্যৰ ৰে'ল প্ৰকল্পৰাজিৰ উদ্বোধন, ১, ০০০ কোটি টকাৰ এইমছ প্ৰকল্প, তামুলপুৰ, কোকৰাঝাৰ নলবাৰী আৰু ধুবুৰীত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ লগতে আন একাধিক আন্তঃগাঁথনি প্ৰকল্প স্থাপনৰ কথাও উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে মোদী চৰকাৰ আৰু অসম চৰকাৰে ইয়াৰ দৰিদ্ৰ লোকসকলৰ বাবে একাধিক কল্যাণমূলক কাৰ্যসূচী ৰূপায়ণ কৰিছে। প্ৰথমবাৰৰ বাবে ৫৮ লাখ গৃহস্থীলৈ টেপৰ পানীৰ সংযোগ আগবঢ়োৱা হৈছে, ১.৮ কোটি লোকলৈ ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়োৱা হৈছে। ৪৩ লাখ ঘৰত শৌচাগাৰ স্থাপন কৰা হৈছে। ২.৩২ কোটি দৰিদ্ৰ লোকক প্ৰতিমাহে ৫ কিলোগ্ৰামকৈ বিনামূলীয়া চাউল যোগান ধৰা হৈছে লগতে মোদী চৰকাৰ আৰু অসম চৰকাৰে ৫১ লাখ গেছৰ চিলিণ্ডাৰ আৰু ২১ লাখ ঘৰো প্ৰদান - কৰিছে। মোদী চৰকাৰে অসমত কেৱল শান্তি আনিবলৈ প্ৰচেষ্টা গ্ৰহণেই নহয়, বৰঞ্চ সফলতাৰে ইয়াক প্ৰতিষ্ঠাও কৰিছে। অসমত আন্তঃগাঁথনি নিৰ্মাণ কৰিছে আৰু এতিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত। ৰাজ্যখনলৈ ৫ লাখ কোটি টকাৰ বিনিয়োগৰ আগমন ঘটিছে। যিয়ে অসমৰ যুৱক-যুৱতীসকলৰ এটি সোণালী ভৱিষ্যতৰ ভেটি স্থাপন কৰিব। অসমত অপৰাধী দোষী সাব্যস্তকৰণৰ হাৰ ৫ শতাংশৰ পৰা ২৫ শতাংশলৈ বৃদ্ধি পাইছে। পূৰ্বে জনতাই এফআইআৰ দাখিল কৰিব নুখুজিছিল, কিয়নো আৰক্ষীক কেৱল সন্ত্ৰাসবাদীৰ বিৰুদ্ধে যুঁজ প্ৰদানত ব্যস্ত থকা দেখিছিল। কিন্তু আজি আৰক্ষীয়ে নাগৰিকৰ অধিকাৰ সুৰক্ষিতকৰণ আৰু প্ৰধানমন্ত্ৰী। মোদীয়ে প্ৰৱৰ্তন কৰা তিনি নতুন ফৌজদাৰী আইনৰ ফলপ্ৰসু ৰূপায়ণত মনোনিবেশ কৰা বুলি তেওঁ মন্তব্য কৰে। উল্লেখ্য যে এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, জাহাজ, বন্দৰ আৰু জলপথ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, কৃষিমন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকা, বিত্তমন্ত্ৰী অজন্তা নেওগ, শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক মৃণাল শইকীয়া, ভবেন্দ্ৰ নাথ ভৰালী, বিশ্বজিৎ ফুকনৰ উপৰি কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহন, ইন্টেজিজেঞ্চ ব্যুৰ'ৰ সঞ্চালক তপন কুমাৰ ডেকা, আৰক্ষী সঞ্চালকপ্ৰধান হৰমিট সিং, অতিৰিক্ত মুখ্য সচিব এ কে তিৱাৰী, অসম প্ৰদেশ বিজেপিৰ প্ৰভাৰী হৰিশ দ্বিবেদী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# পাকিস্তানকে ধৰি ৪১খন দেশৰ

আৰু ভুটানো আছে। তালিকাত তুৰ্কমেনিস্তান, বেলাৰুছ, ভানাটুও আছে। লক্ষণীয় যে ৰাষ্ট্ৰপতি ট্ৰাম্পৰ ভিছা বাতিলৰ তালিকা অনুসৰি ৰেড লিষ্টত আছে আফগানিস্তান, কিউবা, ইৰান, লিবিয়া, উত্তৰ কোৰিয়া, ছোমালিয়া, ছুডান, ছিৰিয়া, ভেনিজুৱেলা আৰু য়েমেন। তেনেদৰে দ্বিতীয় তালিকাত আছে ইৰিট্ৰেয়া, হাইটি, লাওছ, ম্যানমাৰ আৰু দক্ষিণ ছুডান। উল্লেখযোগ্য যে, ড'নাল্ড ট্ৰাম্পৰ প্ৰথম কাৰ্যকালত মুছলমান সংখ্যাগৰিষ্ঠ সাতখন দেশৰ নাগৰিকৰ ওপৰত ভ্ৰমণ নিষেধাজ্ঞা আৰোপ কৰা হৈছিল, যিটো ২০১৮ চনত উচ্চতম ন্যায়ালয়েও সমৰ্থন কৰিছিল। মন কৰিবলগীয়া যে যোৱা ২০ জানুৱাৰীত ৪৭ সংখ্যক মাৰ্কিন ৰাষ্ট্ৰপতি হিচাপে দায়িত্ব গ্ৰহণ কৰিয়েই ড'নাল্ড ট্ৰাম্পে বিশ্বক চমকিত কৰা কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰব্ৰজন নীতিৰ পৰা মাৰ্কিন নাগৰিকত্বৰ উপৰি শুল্কৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে ৰাষ্ট্ৰপতি ট্ৰাম্পে। এই বিতৰ্ক চলি থকাৰ মাজতে পুনৰ ট্ৰাম্পে ৪১খন দেশৰ নাগৰিকৰ মাৰ্কিন ভ্ৰমণত নিষেধাজ্ঞাৰ বিতৰ্কিত সিদ্ধান্ত পোহৰলৈ আহিছে।

# বিশিষ্ট শিক্ষাবিদ,গীতিকাৰ

কণ্ঠশিল্পীগৰাকী বয়স হৈছিল ৯৪ বছৰ। ১৯৩১ চনৰ ১৩ ফেব্ৰুৱাৰীত তেখেতে জন্মগ্ৰহণ কৰিছিল। পিতৃৰ নাম চন্দ্ৰ বৈশ্য সাউদ আৰু মাতৃ ধৈৰ্যবালা। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ আছিল তেওঁ। প্ৰকাশিত পুথি- প্ৰথমা, গীতাৰ্ঘ্য, লক্ষহীৰাৰ গীত, প্ৰাণৰ মুক্তিধাৰা, অস্কাৰ ৱাইল্ডৰ গল্প শচৰ্ত্তপাঁদিতঙ্গ, তপসী, প্ৰাণগংঘা, সূৰ্য আৰু সাগৰৰ সাধু আদি। বহুসংখ্যক পাঠ্যপুথিৰ প্ৰণেতা আছি তেওঁ। সৰাপাত আৰু লাচিত বৰফুকন চলচ্চিত্ৰত কণ্ঠদান কৰিছিল। ১৯৬৮ চনত লাচিত বৰফুকন ছবিৰ বাবে শ্ৰেষ্ঠা নেপথ্য কণ্ঠশিল্পীৰ বঁটা লাভ কৰে। ভুপেন হাজৰিকা বঁটা প্ৰাপ্ত সুদক্ষ গায়িকা আছিল ড° লক্ষহীৰা দাস। ২০২২চনত সাদিন-প্ৰতিদিন গোষ্ঠীৰ পৰা আগবঢ়োৱা সাহিত্য সাংবাদিকতা বঁটা লাভ কৰিছিল তেওঁ। অসম সাহিত্য সভাৰ শুৱালকুছি অধিবেশনৰ কবি সন্মিলনৰ সভানেত্ৰী (১৯৭৯), অসম সাহিত্য সভাৰ বাসন্তী বৰদলৈ বঁটা (১৯৯৫), সংগীতাচাৰ্য উপাধি (১৯৯৫ , অসম চৰকাৰৰ শিল্পী বঁটা (২০০৩ , প্ৰবীণা শইকীয়া বঁটা (২০০৯ , শৈলধৰ ৰাজখোৱা বঁটা (২০১১) , হাউলী বঁটা (২০১৫), ভুপেন হাজৰিকা বঁটা (২০১৯) আদি বঁটা লাভ কৰিছিল তেওঁ। পৰিবেশ্য কলাত সামগ্ৰিক অৱদানৰ কাৰণে ড° লক্ষ্যহীৰা দাসে সংগীত নাটক একাডেমী বঁটা (২০২২) লাভ কৰিছিল। হিত্য সভাৰ বাসন্তী বৰদলৈ বঁটা (১৯৯৫), সংগীতাচাৰ্য উপাধি (১৯৯৫), অসম চৰকাৰৰ শিল্পী বঁটা (২০০৩), প্ৰবীণা শইকীয়া বঁটা (২০০৯), শৈলধৰ ৰাজখোৱা বঁটা (২০১১), হাউলী বঁটা (২০১৫), ভুপেন হাজৰিকা বঁটা (২০১৯) আদি বঁটা লাভ কৰিছিল তেওঁ। পৰিবেশ্য কলাত সামগ্ৰিক অৱদানৰ কাৰণে ড° লক্ষ্যহীৰা দাসে সংগীত নাটক একাডেমী বঁটা (২০২২) লাভ কৰিছিল। অসমীয়া সংগীত জগতত এগৰাকী অম্লান সত্তা আছিল ড° লক্ষহীৰা দাস। যুগজয়ী বহু অমৰ অসমীয়া গীতৰ স্ৰষ্টা ড° দাস একাধাৰে শিক্ষাবিদ, গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী তথা এগৰাকী অতি সাদৰী মহিলা পৰিচিত। অনাতাঁৰ শিল্পী হিচাপেও কেইবাটাও দশক তেওঁ সংগীত অনুৰাগীৰ হৃদয়ত বিশেষ স্থান লাভ কৰিছিল। তেওঁৰ অনবদ্য অৱদানে সমৃদ্ধ কৰি গ'ল অসমীয়া সংগীত জগত। ইফালে ড° লক্ষহীৰা দাসৰ দেহাৱসানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে শোক প্ৰকাশ কৰিছে।

# পদ্মশ্ৰী লীলবাহাদুৰ

প্ৰবক্তা হিচাপে কৰ্মজীৱনৰ পাতনি মেলে। পৰৱৰ্তী সময়ত উক্ত শিক্ষানুষ্ঠানখনৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰে তেওঁ। ১৬ বছৰ বয়সতে 'শিৰস্তুতি' শীৰ্ষক কবিতা সংকলন প্ৰকাশ পোৱা লীলবাহাদুৰ ছেত্ৰীক কালজয়ী উপন্যাস 'বসাই'। তেওঁৰ এইখন উপন্যাস বিশ্বৰ ভিতৰতে নেপালী ভাষাৰ সৰ্বাধিক প্ৰকাশিত উপন্যাস হিচাপে পৰিগণিত হয়। প্ৰায় ৪০টা সংস্কৰণ প্ৰকাশ পোৱা 'বসাই'ৰ আধাৰত নিৰ্মাণ হোৱা 'বসাই' অস্কাৰ পুৰস্কাৰৰ বাবে মনোনীত হৈছিল। ১৯৮৭ চনত 'ব্ৰহ্মপুত্ৰকো ছেও ছাও' (ব্ৰহ্মপুত্ৰৰ আশে-পাশে)ৰ কাৰণে তেওঁ সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল। জীৱনকালত তেওঁৰ চাৰিখন উপন্যাস, তিনিটা গল্প সংকলন, ছখন প্ৰবন্ধ সংকলন, তিনিখন নাটককে ধৰি শতাধিক লেখা-নিবন্ধ প্ৰকাশ পাইছে। তেওঁৰ উপন্যাস, গল্প, নিবন্ধবোৰ ভাৰত আৰু নেপালৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত সন্নিবিষ্ট আছে। লীলবাহাদুৰ ছেত্ৰীক ভাৰত চৰকাৰে ২০২০ চনত পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰাৰ লগতে নেপাল চৰকাৰে নেপালী সাহিত্যৰ প্ৰতি থকা অৱদানক স্বীকৃতি জনাই 'জগদম্বাশ্ৰী' পুৰস্কাৰ প্ৰদান কৰিছিল। তদুপৰি তেওঁ অসম নেপালী সাহিত্য সভা, অসম গোৰ্খা সন্মিলনৰ দৰে গোৰ্খা সংগঠনত জড়িত হৈ সমাজসেৱাত ব্ৰতী হৈছিল। লীলবাহাদুৰ ছেত্ৰীৰ নশ্বৰদেহ বাসভৱনৰ পৰা পল্টনবজাৰস্থিত নেপালী মন্দিৰ আৰু কেবি বেনাৰ্জী পথস্থিত অসম গোৰ্খা সন্মিলনৰ মুখ্য কাৰ্যালয়লৈ অনা হয় আৰু তাতে বিভিন্ন ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ছেত্ৰীৰ দেহাৱসানত বিভিন্ন দল-সংগঠনৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং গোলে, নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা ওলীয়েও শোক প্ৰকাশ কৰে।

## ENGLISH NEWS SECTION

# Governor celebrates Holi with residents of State Home for Women



Guwahati, RB News- In a noble way to celebrate the 'festival of colours', Assam Governor Shri Lakshman Prasad Acharya, celebrated Holi with the residents of the State Home for Women at Jalukbari in the city here today. The Governor celebrated the festival with them to spread joy and encourage a sense of belongingness among the women residing at the home. Governor Shri Acharya extended his heartfelt Holi greetings to the residents, as he said that he felt himself fortunate to be able to celebrate the Holi with them and shared special feelings with them. He said, "I extend my warm wishes for all good time and well-being of all the sisters living in the home". While interacting with them the Governor encouraged the residents to focus on the positive aspects of life, stay engaged in constructive activities, and to remain hopeful for the future. He lauded their skills and creativity, particularly in producing different articles made from water hyacinth plants. Governor Shri Acharya also presented Holi gifts to all them.

# Assam Governor visits the permanent site of Sri Sri Aniruddhadeva Sports University in Dibrugarh



Guwahati,RB News- In a move to review the progress of Sri Sri Aniruddhadeva Sports University, Assam Governor Shri Lakshman Prasad Acharya today visited the permanent campus of the varsity at Chabua in Dibrugarh district. During the visit, Vice Chancellor Prof. J.P.Verma gave the picture of how the university will look like and apprised the Governor of the construction status. Executive Engineer, PWD (Building), Raj Kumar Chetri, provided a detailed report of the ongoing development works. Considering the unprecedented impetus that sports in the country received under the visionary leadership of Prime Minister Shri Narendra Modi, Governor Shri Acharya said that aligned with the Prime Minister's vision for sports, State Government is giving paramount importance for the promotion of sports and creating flourishing infrastructure across the state.

# Governor Shri Lakshman Prasad Acharya attends 23rd convocation of Dibrugarh University




Guwahati,RB News- Assam Governor Shri Lakshman Prasad Acharya said that when India is making its rapid strides towards reaching its 100th years of independence, the country is making profound efforts in the Amrit Kaal to advance towards knowledge, research and innovation. Dibrugarh University being the second oldest university in the region should take the lead in promoting cutting edge research and innovation to facilitate seamless transition of the nation to Viksit Bharat. Speaking at the 23rd convocation of Dibrugarh University in Dibrugarh today said that the students are the chief architects of Viksit Bharat as they need to empower themselves through knowledge, research and innovation to the prime catalyst of developed India. The Governor said that the coming two decades for the nation demand hard work and dedication as the students should focus on their cherished dream and work with determination to ensure a brighter future for the country. He said that the institutions like Dibrugarh University must play an important role to elevate India's global stature in the coming days.

# Neymar ruled out of Brazil's FIFA World Cup qualifiers



RB News- Brazilian football superstar Neymar has been ruled out of the upcoming World Cup qualifiers against Colombia and Argentina due to fitness concerns. The Brazilian Football Confederation announced this decision through a video statement by coach Dorival Júnior, who cited unspecified reasons for the exclusion of Neymar, goalkeeper Ederson, and defender Danilo from the squad.

# Axar Patel appointed new Delhi Capitals captain



RB News- Delhi Capitals (DC) have appointed Axar Patel as their captain for IPL 2025. The 31-year-old has been with DC since 2019 and was their top retention at ?16.50 crore ahead of the mega auction last November. Axar has played 82 matches for DC over six seasons. In IPL 2024, he scored 235 runs and took 11 wickets.

# Harry Brook banned from IPL for 2 years



RB News- England cricketer Harry Brook has been banned from IPL for the next two years. According to BCCI's policy, Brook cannot enter IPL auction for next two years after he decided to withdraw from IPL 2025 at the last moment. Brook, who was bought by DC for ?6.25 crore in mega auction, pulled out of IPL for the second consecutive season.

# মায়া

প্ৰজ্ঞাপাৰমিতাই আনকি বোধিসত্ব আৰু নিৰ্বাণৰ ধাৰণাকো মায়াৰ অধীন বুলি কব খুজিছে। মায়াৰ এই ব্যাপক ৰূপ ভক্ত কবীৰৰ বিখ্যাত দোহা “মায়া মহা ঠগিনী” ত পোৱা যায়। ভক্ত কবীৰে বিষ্ণু, শিৱ আৰু ব্ৰহ্মা মায়াৰ দ্বাৰাই পৰিচালিত বুলি এক গভীৰ সাহস আৰু বিশ্বাসৰ জৰিয়তে দাবী কৰিছে। কবীৰে মায়াৰ যাত্ৰাৰ শেষ নাই বুলিও আমাক সোঁৱৰাই দিছে।

গৌতম বুদ্ধ, শংকৰাচাৰ্য, ৰামানুজ প্ৰত্যেকেই কিন্তু মানৱ আত্মাৰ সেই শক্তিত বিশ্বাস ৰাখিছে, যাৰ দ্বাৰা মায়াৰ মোহপাশৰ পৰা মানুহ মুক্ত হ'ব পাৰে। প্ৰশ্ন হয় মায়াক ভাৰতীয় চিন্তাত ইমান গুৰুত্ব কিয় দিয়া হৈছে? দাৰ্শনিক চিন্তাবিদ ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণে ইয়াৰ অন্ততঃ তিনিটা উত্তৰ আমাক দিছে। প্ৰথমটো হ'ল আমাৰ চৌদিশৰ জগতখনত ব্যাখ্যাৰ দ্বাৰা জানিব নোৱাৰো। জগতখন যে কোনো সৰ্বব্যাপী সত্তাৰ প্ৰকাশ, তাক বুজাবলৈ ‘মায়া ’ ৰ ব্যৱহাৰ কৰা হয়। দ্বিতীয়তে, পৰম সত্তাৰ লগত জগত আৰু বহুত্বৰ সম্বন্ধক বুজি উঠা অতি জটিল। ই প্ৰায় দুৰ্বোধ্য। এই দুৰ্বোধ্যতাক আঁতৰ কৰিবলৈ ‘মায়া’ ৰ ধাৰণা ব্যৱহাৰ কৰা হয়। আকৌ, আপুনি- মই দেখি থকা কোনো কথাই ব্ৰহ্মক স্পৰ্শ কৰিব নোৱাৰে। ভগৱান শ্ৰীকৃষ্ণই কোৱাৰ দৰে জগতৰ সকলো নিয়ম বন্ধন অভিশাপ পাপ পুণ্যই পৰম পুৰুষ কাৰণে তেওঁক চুব নোৱাৰে। ব্ৰহ্ম জগতৰ কাৰণ । কিন্তু জগতৰ স্পৰ্শৰ পৰা তেওঁ নিলগত। সেইবাবে জগত মায়া। মায়াৰ ডাৱৰ আঁতৰ কৰি ব্ৰহ্মৰ স্বৰূপ উদ্‌ঘাটন কৰাটোৱেই ভাৰতীয় চিন্তাৰ প্ৰধান দিশ। জগত আৰু জীৱৰ সম্পৰ্কৰ অনুসন্ধান সকলো ৰহস্যবাদী মানুহ ( mystic) ৰ চিন্তাৰ প্ৰধান কেন্দ্ৰ। আজান ফকীৰৰ এটা বিখ্যাত সৃষ্টিত আছে : “ ঘৰ মোৰ হালিলে, মাৰলি ভাগিলে/ ৰুৱাত ধৰিলে ঘূণে/ আল্লাৰ জীৱক আল্লাই লৈ যাব/ ঢোকা দি ৰাখিব কোনে।” সৃষ্টিৰ নিয়ম মানি এই মহাপৃথিৱীক বিদায় জনোৱাৰ আগেয়ে প্ৰতিজন ব্যক্তিয়েই হয়তো মায়া আৰু অবিদ্যাৰ এই চাকনৈয়াৰ পৰা নিজকে মুক্ত কৰিব খোজে। উপনিষদৰ দিনৰ পৰা আজিলৈকে মানুহে জগত আৰু জীৱৰ সম্পৰ্ক তথা স্বৰূপক বুজাৰ চেষ্টা কৰি আহিছে। ব্ৰহ্ম সৰ্বব্যাপী। আত্মা আৰু ব্ৰহ্ম অভিন্ন হ'লেও দেহৰ সংস্পৰ্শই আত্মাক সীমিত কৰে। মায়াৰ কৱলত পৰে আত্মা। এই কৱলতা, সীমাবদ্ধতা অতিক্ৰম কৰিবলৈ যুগে যুগে মানুহে চেষ্টা কৰি আহিছে। সেয়াই মানুহৰ শক্তি আৰু সম্পদ।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন : 9854215286
প্ৰতিষ্ঠাপক সম্পাদক : মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক : ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286